আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, MARCH 19, 2024 | www.newsnextone.comৰ অনলাইন দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৮১ | Guwahati, Assam ।। মূল্যঃ এটকা

## বণ্ডৰ বাবেই আকৌ বঢ়ালে ঔষধৰ দাম!

**ই-সংবাদ, ১৮ মাৰ্চঃ** শেহতীয়াকৈ নিৰ্বাচনী বণ্ডৰ তথ্য প্ৰকাশৰ পিছতে পোহৰলৈ আহিছিল হেটেৰো ফাৰ্মা, মেনকাইণ্ড ফাৰ্মাৰ দৰে দেশৰ দহটাৰো অধিক ঔষধ শেষাংশ ৩ পৃষ্ঠাত

## মোদী-ৰাহুলৰ শক্তিক লৈ যুঁজ

**নতুন দিল্লী, ১৮ মাৰ্চঃ** কাৰ শক্তি বেছি? প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নে এবাৰ সাংসদ পদ শেষাংশ ৬ পৃষ্ঠাত

## বৰাকৰ পৰা আৰম্ভ মুখ্যমন্ত্ৰীৰ নিৰ্বাচনী প্ৰচাৰ

**ই-সংবাদ, শিলচৰ, ১৮ মাৰ্চঃ** আজি বৰাক উপত্যকাৰ পৰা লোকসভা নিৰ্বাচনৰ প্ৰচাৰ আৰম্ভ কৰিলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। শেষাংশ ৪ পৃষ্ঠাত

### ৩০ দিনত খৰছ কৰিলে ৩০ কোটিৰো অধিক ধন

# গুগলৰ বিজ্ঞাপনত বিজেপিৰ নতুন ৰেকৰ্ড

**নতুন দিল্লী, ১৮ মাৰ্চঃ** লোকসভা নিৰ্বাচনলৈ মাজত আৰু মাত্ৰ কেইটামান দিন। ১৯ এপ্ৰিলৰ পৰা দেশজুৰি উদযাপন হ'বলগীয়া গণতন্ত্ৰৰ এই বিশাল উৎসৱৰ বাবে ইতিমধ্যে ৰাজহাড় পোনাইছে ৰাজনৈতিক দলসমূহে। আৰম্ভ হৈছে প্ৰচাৰৰ মহাসমৰ। কোন দলে কিমান টকা ব্যয় কৰি প্ৰচাৰ চলাই জনতাক শেষাংশ ২ পৃষ্ঠাত



আকাশী যানেৰে উৰণীয়া মনেৰে এনেকৈয়ে আৰম্ভ নিৰ্বাচনী যাত্ৰা...

## দীপ গগৈৰ কাষলৈ তপন

**ই-সংবাদ, ১৮ মাৰ্চঃ** যোৰহাট সমষ্টিৰ যুঁজখন আকৰ্ষণীয় হৈ পৰিছে। ২০১৪ আৰু ২০১৯ চনৰ লোকসভা নিৰ্বাচনৰ দৰে পৰিৱেশ হৈ থকা নাই যোৰহাট সমষ্টিত। এইবাৰ শেষাংশ ৫ পৃষ্ঠাত

## দেওত সৰ্বা, সোমবাৰে লুৰীণ! বিচিত্ৰ পৰন

**ই-সংবাদ, ১৮ মাৰ্চঃ** অসমৰ ৰাজনীতিবিদৰ বিচিত্ৰ ৰং। অসমৰ ৰাজনীতিকে এতিয়া কেতিয়া চোং সলাই ধৰিবহই নোৱাৰা হৈছে। চৰিত্ৰ ধৰিব নোৱাৰা শেষাংশ ৫ পৃষ্ঠাত

# আধৰুৱা তথ্য দিয়া ষ্টেট বেংকক ভৎৰ্সনা ছুপ্ৰিম কৰ্টৰ

**নতুন দিল্লী, ১৮ মাৰ্চঃ** উচ্চতম ন্যায়ালয়ত পুনৰ এবাৰ ভৎৰ্সনাৰ সন্মুখীন হ'ল ষ্টেট বেংক অৱ ইণ্ডিয়া। নিৰ্বাচনী বণ্ডৰ তথ্য আধৰুৱাকৈ প্ৰদান কৰাক লৈ দাখিল কৰা আবেদনৰ আজি শুনানি গ্ৰহণ কৰে উচ্চতম ন্যায়ালয়ৰ সাংবিধানিক বিচাৰপীঠে। শুনানিৰ সময়ত আদালতে ২০১৯ চনৰ ১২ এপ্ৰিলৰ পিছৰ নিৰ্বাচনী বণ্ডৰ আলফানিউমেৰিক নাম্বাৰসহ সবিশেষ তথ্য বৃহস্পতিবাৰে সন্ধিয়া ৫ বজাৰ ভিতৰত নিৰ্বাচন আয়োগক প্ৰদান কৰিবলৈ শেষাংশ ২ পৃষ্ঠাত

## লোভনীয় বণ্ডলৈ ঘূৰিয়েই নাচালে ৩ দলে



নতুন দিল্লী, ১৮ মাৰ্চঃ **নিৰ্বাচনী বতৰত দেশজুৰি এতিয়া চৰ্চাৰ বিষয় হৈ আছে নিৰ্বাচনী বণ্ড। সৰ্বোচ্চ** ৩ পৃষ্ঠাত চাওক

### বিৰোধী শূন্য ৰাছিয়া

## পুটিনেই পুনৰ ৰাষ্ট্ৰপতি

**মস্কো, ১৮ মাৰ্চঃ** নিৰ্ভেজাল গণতন্ত্ৰৰ পৰা 'একনায়কত্ববাদ'লৈ ৰাছিয়াক সলনি কৰা ভ্লাদিমিৰ পুটিন পুনৰ এবাৰ প্ৰায় বিনা প্ৰতিদ্বন্দ্বিতাৰে লাভ কৰিলে ৰাষ্ট্ৰপতি পদ। সোমবাৰে একেৰাহে শেষাংশ ৪ পৃষ্ঠাত

## বিহাৰত চূড়ান্ত এনডিএৰ আসনৰ অংক

**পাটনা, ১৮ মাৰ্চঃ** ২০২৪ৰ লোকসভা নিৰ্বাচনৰ তাৰিখ ঘোষণা হৈছে। ইতিমধ্যে ৰাজনৈতিক দলসমূহৰ মাজৰ বুজা পৰা আৰু আসনৰ ভাগ-বতৰাও অন্তিম পৰ্যায়ত উপনীত হৈছে। দেশত ১৯ এপ্ৰিলৰ পৰা অনুষ্ঠিত হ'বলগীয়া ১৮ সংখ্যক লোকসভা নিৰ্বাচনৰ পূৰ্বে বিহাৰত চূড়ান্ত হ'ল বিজেপি নেতৃত্বাধীন এনডিএৰ আসনৰ ভাগ-বতৰা। সোমবাৰে মিত্ৰজোঁটৰ শেষাংশ ২ পৃষ্ঠাত

## উত্তপ্ত গুঃ বিশ্ববিদ্যালয়

**ই-সংবাদ, ১৮ মাৰ্চঃ** 'কা'ক লৈ ৰাজ্যজুৰি চেপা উত্তেজনাই বিৰাজ কৰি থকাৰ সময়তে সোমবাৰে গুৱাহাটী বিশ্ববিদ্যালয় চৌহদত সৃষ্টি হয় এক শেষাংশ ৬ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# গুগলৰ বিজ্ঞাপনত বিজেপিৰ

সন্মোহিত কৰিব পাৰে, তাৰ বাবে চলিছে প্ৰতিদ্বন্দ্বিতা। টিভি, বাতৰি কাকতৰ বিজ্ঞাপন আৰু ৰাজহুৱা স্থানৰ বেনাৰ-পোষ্টাৰ তথা সংবাদ মাধ্যমৰ সমান্তৰালভাৱে প্ৰচাৰৰ মাধ্যম হিচাপে ৰাজনৈতিক দলসমূহে গ্ৰহণ কৰিছে ইণ্টাৰনেটকো। এনে কাৰণতে নিৰ্বাচনৰ এই পৰিৱেশত গুগলৰ বিজ্ঞাপনেও ৰচিছে অভিলেখ। বিজনেছ ষ্টেণ্ডাৰ্ডৰ এক প্ৰতিবেদন অনুসৰি, ১৭ মাৰ্চলৈকে বিগত তিনিমাহত গুগল এড অৰ্থাৎ গুগলৰ বিজ্ঞাপনৰ বাবদ ১০০ কোটি টকা ব্যয় কৰিছে ৰাজনৈতিক দলসমূহে। তথ্য অনুসৰি, যোৱা বছৰৰ মাৰ্চ মাহত দলসমূহে গুগল এডৰ বাবদ কৰা ব্যয়ৰ তুলনাত এইবছৰ কৰা ব্যয় ৯ গুণ অধিক। মন কৰিবলগীয়া যে, ২০২৩ চনৰ মাৰ্চ মাহত ৰাজনৈতিক দলসমূহে গুগল এডৰ বাবে ব্যয় কৰিছিল ১১ কোটি টকা। গুগলৰ তথ্য অনুসৰি পূৰ্বৰ সকলো অভিলেখ ভংগ কৰি বিজ্ঞাপনৰ বাবে এমাহতে সৰ্বাধিক ৩০.৯ কোটি টকা ব্যয় কৰিছে ভাৰতীয় জনতা পাৰ্টিয়ে। শাসকীয় দলটোৱে চলিত বৰ্ষৰ ১ ফেব্ৰুৱাৰীৰ পৰা ৪ মাৰ্চৰ সময়ছোৱাত গুগলৰ বিজ্ঞাপনৰ বাবদ ব্যয় কৰিছে উক্ত ধন। প্ৰকাশিত বাতৰি অনুযায়ী ২০১৯ৰ লোকসভা নিৰ্বাচনৰ সময়ত বিজেপিয়ে বিজ্ঞাপনৰ বাবে গুগলত খৰছ কৰিছিল মাত্ৰ ৭৯ লাখ টকা। অৰ্থাৎ ২০১৯ৰ তুলনাত এইবাৰ বিজেপিয়ে গুগলৰ বিজ্ঞাপনত ৩৮ গুণ অধিক ধন খৰছ কৰিছে। ২০১৯ৰ নিৰ্বাচনত গুগলত বিজেপিয়ে মাত্ৰ ২১৫টা বিজ্ঞাপন দিছিল। কিন্তু এইবাৰ ১ ফেব্ৰুৱাৰীৰ পৰা ৪ মাৰ্চলৈকে গুগলত বিজেপিয়ে চলোৱা বিজ্ঞাপনৰ সংখ্যা হৈছে ১২,৬৩৪টা। ইয়াৰ বিপৰীতে চলিত বৰ্ষত বিৰোধী কংগ্ৰেছে এতিয়ালৈ ব্যয় কৰিছে মাত্ৰ ১৮.৮ লাখ টকা। ইফালে বিজনেছ ষ্টেণ্ডাৰ্ডৰ মতে, গুগলৰ বিজ্ঞাপনৰ পৰিমাণ উত্তৰ প্ৰদেশত সৰ্বাধিক। ইয়াৰ পিছতে আছে ওড়িশা, মহাৰাষ্ট্ৰ, তামিলনাডু আৰু গুজৰাট। গুগলৰ বিজ্ঞাপনত ব্যয় কৰা মুঠ ধনৰ ৮৬.৪ শতাংশ ভিডিঅ' বিজ্ঞাপন আৰু ১৩.৬ শতাংশ চিত্ৰ বিজ্ঞাপনৰ বাবে খৰছ কৰা হৈছে। ইয়াৰ বিপৰীতে অতি কম সংখ্যক ধন টেক্সট (এছএমএছ) বিজ্ঞাপনত খৰচ কৰা হৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আধৰুৱা তথ্য দিয়া ষ্টেট

নিৰ্দেশ দিয়ে। ইফালে পূৰ্বে এছ বি আইয়ে বণ্ডৰ সবিশেষ প্ৰদান নকৰাৰ বাবে ভৎৰ্সনা কৰি কয় যে এই আদেশত স্পষ্ট হ'ব লাগিছিল যে সকলো সবিশেষ ৰাজহুৱা কৰিব লাগিব। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচুড়ৰ নেতৃত্বত বিচাৰপীঠে কয়, 'এছ বি আইয়ে যে ইয়াৰ লগত উপলব্ধ সকলো সবিশেষ দাখিল কৰিব লাগিব তাত কোনো সন্দেহ নাই। আমি স্পষ্ট কৰি দিছো যে ইয়াৰ ভিতৰত ক্ৰয় কৰা বণ্ডৰ আলফানিউমেৰিক নম্বৰ আৰু ছিৰিয়েল নম্বৰো অন্তৰ্ভুক্ত হ'ব।'' ন্যায়ালয়ৰ এই মন্তব্যৰ পিছত এছ বি আইৰ হৈ হাজিৰ হোৱা জ্যেষ্ঠ অধিবক্তা হৰিশ ছালভেয়ে কয় যে আদালতে যি সবিশেষ বিচাৰে সেয়া দিবলৈ বেংক সাজু। মুখ্য ন্যায়াধীশ চন্দ্ৰচূড়ে কয়, 'ৰায়দানত আমি ষ্টেট বেংকক 'সকলো সবিশেষ' প্ৰকাশ কৰিবলৈ কৈছিলোঁ। য'ত বণ্ড নম্বৰো অন্তৰ্ভুক্ত কৰা হৈছে।' উল্লেখ্য যে, এছ বি আইয়ে বিক্ৰী কৰা নিৰ্বাচনী বণ্ডৰ জৰিয়তে ৰাজনৈতিক দলসমূহে লাভ কৰা চান্দাৰ সমস্ত তথ্য ৰাজহুৱা কৰিবলৈ যোৱা মাহত নিৰ্দেশ দিছিল উচ্চতম ন্যায়ালয়ে। ইয়াৰ পিছতে ১২ মাৰ্চত এছ বি আইয়ে বণ্ডৰ আংশিক তথ্য নিৰ্বাচন আয়োগক প্ৰদান কৰে আৰু ১৪ মাৰ্চৰ সন্ধিয়া সেই তথ্য নিজৰ ৱেবচাইটযোগে ৰাজহুৱা কৰে আয়োগে। কিন্তু এছ বি আইয়ে বণ্ডৰ তথ্য লুকুৱাবলৈ চেষ্টা কৰা বুলি অভিযোগ তুলি উচ্চতম ন্যায়ালয়ত আন এখন আবেদন দাখিল কৰা হয়। ইফালে, সোমবাৰে উদ্যোগ সংস্থা এছ'চামে নিৰ্বাচনী বণ্ডৰ সৈতে জড়িত নিৰ্দিষ্ট সংখ্যা ৰাজহুৱাভাৱে প্ৰকাশ কৰাৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত আবেদন জনোৱা বুলি জানিব পৰা গৈছে। সোমবাৰে জ্যেষ্ঠ অধিবক্তা মুকুল ৰোহাটগীয়ে আদালতত হস্তক্ষেপ কৰি ফিচি আৰু এছ'চামৰ হৈ কথা ক'বলৈ চেষ্টা কৰিছিল যদিও মুখ্য ন্যায়াধীশে তেওঁক বাধা প্ৰদান কৰি কয়, 'আমাৰ সন্মুখত এনে কোনো আবেদন অহা নাই।'

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিহাৰত চূড়ান্ত এনডিএৰ

মাজত আসনৰ বুজাবুজি কৰাৰ পিছত এতিয়া বিহাৰৰ মুঠ ৪০খন আসনৰ ভিতৰত ১৭খন আসনত প্ৰতিদ্বন্দ্বিতা কৰিব বিজেপিয়ে। ইফালে ১৬খন আসনত প্ৰাৰ্থী প্ৰক্ষেপ কৰিব নীতিশ কুমাৰৰ জেডিইউয়ে। ইয়াৰোপৰি বিহাৰত চিৰাগ পাছৱানৰ দলক এৰি দিয়া হৈছে ৫ খন আসন। জীতন ৰাম মাঝিৰ দলক দিয়া হৈছে এখন আসন। একে সময়তে উপেন্দ্ৰ কুশ্বৰাহাৰ দলে এখন আসনত প্ৰাৰ্থী প্ৰক্ষেপ কৰিব। উল্লেখ্য যে, বিগত নিৰ্বাচনত এন ডি এয়ে বিহাৰত ৩৯খন আসন লাভ কৰিছিল। শেহতীয়াকৈ চিৰাগ পাছৱানৰ সৈতে এক চুক্তি সম্পন্ন কৰিছিল বিজেপিয়ে। বিজেপিয়ে চিৰাগ পাছৱান নেতৃত্বাধীন লোক জনশক্তি পাৰ্টি ৰাম বিলাস (এলজেপি-আৰ)ক হাজীপুৰকে ধৰি ৫খন আসন দিবলৈ সন্মত হৈছিল। ইয়াৰ বাবে চিৰাগৰ খুৰাক তথা বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী পশুপতি পাৰসকো একাষৰীয়া কৰি ৰখা হৈছিল। আসন ভাগ-বতৰা ঘোষণাৰ সময়ত চিৰাগ পাছৱানৰ খুৰাক পশুপতি পৰাসৰ দলক এখনো আসন দিয়া নহ'ল। সংবাদমেলত তেওঁৰ দলৰ কোনো নেতাও নাছিল। উল্লেখ্য যে, বিহাৰৰ মুঠ ৪০ খন লোকসভা আসনত সাতটা পৰ্যায়ত অনুষ্ঠিত হ'ব ভোটগ্ৰহণ। এইবাৰ বিহাৰত নিৰ্বাচনী যুঁজখন অধিক আকৰ্ষণীয় হৈ পৰাৰ সম্ভাৱনা ব্যক্ত কৰিছে বিশ্লেষকসকলে। এফালে বিজেপিৰ নেতৃত্বত জেডিইউ, জীতন ৰাম মাঝি আৰু উপেন্দ্ৰ কুশ্বৰাহাৰ দলে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ বিপৰীতে নিৰ্বাচনৰ বাবে 'ইণ্ডিয়া' মিত্ৰজোঁটৰ অধীনত সাজু হৈছে ৰাষ্ট্ৰীয় জনতা দল আৰু কংগ্ৰেছ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# লোভনীয় বণ্ডলৈ ঘূৰিয়েই

ন্যায়ালয়ৰ কঠোৰ নিৰ্দেশৰ পিছত নিৰ্বাচনী বণ্ডৰ জৰিয়তে ৰাজনৈতিক দলসমূহে লাভ কৰা চান্দাৰ সকলো তথ্য ৰাজহুৱা কৰিবলৈ বাধ্য হৈছিল ষ্টেট বেংক অৱ ইণ্ডিয়াই। ইয়াৰ পিছতে দেশজুৰি সৃষ্টি হয় তীব্ৰ প্ৰতিক্ৰিয়াৰ। নিৰ্বাচনী বণ্ডৰ জৰিয়তে দেশৰ বৰ বৰ উদ্যোগপতি আৰু কোম্পানীয়ে ৰাজনৈতিক দললৈ চান্দা আগবঢ়োৱাৰ তথ্যত অনেকে বিচাৰি পাইছে 'দিয়া আৰু লোৱা' নীতিৰ ৰহস্য। মন কৰিবলগীয়া যে, এছ বি আইয়ে নিৰ্বাচন আয়োগক দাখিল কৰা আৰু আয়োগে ৱেবচাইটযোগে ৰাজহুৱা কৰা বণ্ডৰ তথ্যত সৰ্বাধিক চান্দা লাভ কৰা দল হিচাপে পৰিগণিত হৈছে বিজেপি। কিন্তু কোনটো দলে কিমান টকাৰ চান্দা বণ্ডৰ জৰিয়তে লাভ কৰিলে তাক লৈ চৰ্চা চলি থকাৰ সময়তে পোহৰলৈ আহিছে বণ্ডৰ জৰিয়তে এটকাও অনুদান লাভ নকৰা ৰাজনৈতিক দলৰ খবৰো। শেহতীয়াকৈ দেশৰ তিনিটা বাওঁপন্থী দলে নিৰ্বাচন আয়োগলৈ এখন পত্ৰ লিখি কয় যে তেওঁলোকে কোনধৰণৰ অনুদান বণ্ডৰ জৰিয়তে লাভ কৰা নাই। এটকাও বণ্ড লাভ নকৰা এই তিনিটা বাওঁপন্থী দল হৈছে- ভাৰতীয় কমিউনিষ্ট পাৰ্টি, ভাৰতীয় কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী) আৰু ভাৰতীয় কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী-লেনিনবাদী) লিবাৰেশ্যন। প্ৰতিবেদন অনুসৰি চিপিআই (এম)-এ নিৰ্বাচন আয়োগলৈ লিখা পত্ৰত কয়, 'আপুনি জ্ঞাত যে ভাৰতীয় কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী) নিৰ্বাচনী বণ্ড আঁচনিৰ বিৰুদ্ধে আৰম্ভণিৰে পৰাই মাত মাতিছে। আমি সিদ্ধান্ত লৈছিলোঁ যে নিৰ্বাচনী বণ্ডৰ জৰিয়তে কোনো ধৰণৰ অনুদান গ্ৰহণ নকৰোঁ। এই নীতিগত স্থিতিৰ সৈতে সংগতি ৰাখি দলটোৱে নিৰ্বাচনী বণ্ডৰ জৰিয়তে কোনো ধৰণৰ অনুদান লাভ কৰা নাই।' দলৰ মুৰব্বী সীতাৰাম য়েচুৰীৰ স্বাক্ষৰিত এখন পত্ৰত দলটোৱে লগতে কয়, 'আপুনি হয়তো এইটোও জানে যে নিৰ্বাচনী বণ্ড আঁচনিখনক প্ৰত্যাহ্বান জনোৱা তিনিটা গোচৰৰ এটা আছিল চিপিআই (এম)ৰ।' চিপিআইয়ে নিৰ্বাচনী বণ্ড আঁচনিখনক অস্বচ্ছ বুলি অভিহিত কৰি কয় যে তেওঁলোকে বণ্ডৰ জৰিয়তে কোনো ধৰণৰ অনুদান গ্ৰহণ কৰা নাই। উল্লেখ্য যে, ২০১৯ চনৰ ২৩ মে'ৰ এক নথিতো চিপিআইয়ে নিৰ্বাচনী বণ্ডৰ জৰিয়তে কোনো ধৰণৰ অনুদান গ্ৰহণ নকৰাৰ কথা ঘোষণা কৰিছিল। ইফালে নিৰ্বাচনী বণ্ডৰ জৰিয়তে কোনো ধৰণৰ অনুদান লাভ নকৰা আন এটা ৰাজনৈতিক দল হৈছে উত্তৰ প্ৰদেশৰ অন্যতম বিৰোধী দল বহুজন সমাজ পাৰ্টি। শেহতীয়াকৈ দলৰ মুৰব্বী মায়াৱতীয়ে এই বিষয়ে অৱগত কৰিছিল। আনহাতে মেঘালয়ত ক্ষমতাত থকা নেশ্যনেল পিপলছ পাৰ্টিয়েও বণ্ডৰ জৰিয়তে কোনো ধৰণৰ অনুদান লাভ কৰা নাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বণ্ডৰ বাবেই আকৌ

নিৰ্মাতা কোম্পানীয়ে ৰাজনৈতিক দললৈ অনুদান আগবঢ়োৱাৰ কথা। আৰু ইয়াৰ ঠিক পিছতে এতিয়া সাধাৰণ, দৰিদ্ৰ জনতাৰ জীৱন নৰকসদৃশ কৰি বৃদ্ধি কৰাৰ ঘোষণা কৰা হৈছে ৮০০ বিধ জীৱন-দায়িনী ঔষধৰ মূল্য। দেশত আৰম্ভ হোৱা গণতন্ত্ৰৰ সৰ্ববৃহৎ উৎসৱ ১৮সংখ্যক লোকসভা নিৰ্বাচনৰ ধামখুমীয়াৰ মাজতে কেন্দ্ৰীয় চৰকাৰে ঔষধ নিৰ্মাতা কোম্পানীৰ আহ্বান মানি ঔষধৰ দাম বৃদ্ধিত অনুমতি প্ৰদান কৰিছে৷ যাৰ পৰিণামস্বৰূপে এতিয়া কোটি কোটি টকা ৰাজনৈতিক দলৰ বৰঙণি প্ৰদান কৰা ঔষধ নিৰ্মাতা কোম্পানীয়ে অধিক দামত জীৱন-দায়িনী ঔষধ বিক্ৰী কৰিবলৈ সাজু হৈছে৷ পেইনকিলাৰ, এণ্টিবায়'টিক আৰু এণ্টি-ইনফেকটিভসহ অত্যাৱশ্যকীয় ঔষধৰ মূল্য ১ এপ্ৰিলৰ পৰা বৃদ্ধি হ'ব। পাইকাৰী মূল্য সূচকৰ (ডব্লিউপিআই) বাৰ্ষিক ধাৰাবাহিকতাৰ সৈতে সংগতি ৰাখি চৰকাৰে ৰাষ্ট্ৰীয় অত্যাৱশ্যকীয় ঔষধৰ তালিকাৰ (এনএলইএম) অধীনৰ ঔষধৰ মূল্য .০০৫৫ শতাংশ বৃদ্ধিৰ অনুমতি দিছে। উল্লেখ্য যে, যোৱা দুটা বছৰত সৰ্বমুঠ ২২ শতাংশ বৃদ্ধি কৰা হৈছিল ঔষধৰ বাৰ্ষিক মূল্য। এতিয়া ২০২৪ চনতো ফাৰ্মা কোম্পানীসমূহে ঔষধৰ মূল্য বৃদ্ধি কৰিবলৈ সাজু হৈছে। .০০৫৫ শতাংশ বৃদ্ধি পাব চলিব বছৰৰ প্ৰথম অৱস্থাতে৷ পুনৰ বছৰৰ শেষৰভাগত মূল্য বৃদ্ধি কৰাৰ আৰ্জি দিলে কেন্দ্ৰীয় চৰকাৰে বিবেচনা কৰিবলৈ বাধ্য হ'ব৷ ঔষধৰ মূল্য বছৰত এবাৰ বৃদ্ধিত অনুমোদন দিয়া হয়৷ ৰাষ্ট্ৰীয় অত্যাৱশ্যকীয় ঔষধৰ তালিকাৰ সমাযোজিত মূল্যৰ ৮০০ৰো অধিক ঔষধক দাম বৃদ্ধিয়ে সামৰি ল'ব। অত্যাৱশ্যকীয় ঔষধৰ তালিকাত অন্তৰ্ভুক্ত আছে পেৰাচিটামল, বেক্টেৰিয়াৰ সংক্ৰমণৰ চিকিৎসাৰ বাবে ব্যৱহৃত এজিথ্ৰোমাইচিনৰ দৰে এণ্টিবায়টিক, এণ্টি-এনিমিয়া ঔষধ, ভিটামিন আদি। মজলীয়া ৰোগ, গুৰুতৰভাৱে অসুস্থ কোভিডৰ ৰোগী আৰু ষ্টেৰইডৰ চিকিৎসাৰ বাবে ব্যৱহৃত কিছু ঔষধো তালিকাত আছে। ঔষধ নিৰ্মাতা কোম্পানীয়ে ঔষধৰ মূল্য যথেষ্ট পৰিমাণে বৃদ্ধিৰ দাবী জনাই আহিছে৷ কিয়নো বৰ্ধিত ব্যয়ৰ বাবে কোম্পানীসমূহে আৰ্থিক অচলাৱস্থাত যুঁজিব লগা হোৱা বুলি কৈ আহিছে৷ বিশেষজ্ঞসকলৰ মতে, যোৱা কেইবছৰমানত কিছুমান মুখ্য সক্ৰিয় ফাৰ্মাচিউটিকেল উপাদানৰ মূল্য ১৫ শতাংশৰ পৰা ১৩০ শতাংশৰ ভিতৰত বৃদ্ধি পাইছে৷ পেৰাচিটামলৰ মূল্য ১৩০ শতাংশ বৃদ্ধি হৈছে আৰু এক্সিচিপিয়েণ্টৰ মূল্য ১৮ৰ পৰা ২৬২ শতাংশ বৃদ্ধি হৈছে। গ্লিচাৰিন, প্ৰ'পাইলিন গ্লাইক'ল, চিৰাপ, অ'ৰেল ড্ৰপ আৰু বীজাণুমুক্ত কৰিবলৈ ব্যৱহাৰ কৰা সামগ্ৰীসমূহ ২৬৩ শতাংশ আৰু ৮৩ শতাংশ ব্যয়বহুল হৈ পৰিছে। ৰাসায়নিক সামগ্ৰীৰ মূল্যও ১১ শতাংশৰ পৰা ১৭৫ শতাংশৰ ভিতৰত বৃদ্ধি হৈছে। পেনিচিলিন ১৭৫ শতাংশ ব্যয়বহুল হৈছে। পূৰ্বে এহেজাৰতকৈও অধিক ভাৰতীয় ঔষধ নিৰ্মাতাক প্ৰতিনিধিত্ব কৰা এটা গোটে চৰকাৰক সকলো তালিকাযুক্ত ফৰ্মুলেচনৰ মূল্য তাৎক্ষণিক প্ৰভাৱৰ সৈতে ১০ শতাংশ বৃদ্ধিৰ অনুমতি দিবলৈ আহ্বান জনাইছিল। অনা-তালিকাভুক্ত ঔষধৰ মূল্য ২০ শতাংশ বৃদ্ধি কৰাটো বিচাৰিছিল এই গোটে। মন কৰিবলগীয়া যে, ২৪ মাহৰ ভিতৰতে দুবাৰকৈ ঔষধৰ দাম বৃদ্ধিৰ পাছতে পুনৰ ঔষধৰ মূল্য বৃদ্ধি কৰা হৈছে৷

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পুটিনেই পুনৰ ৰাষ্ট্ৰপতি

পঞ্চমবাৰৰ বাবে দেশখনৰ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হয় ভ্লাদিমিৰ পুটিন। জানিব পৰা মতে, ৰাষ্ট্ৰপতি নিৰ্বাচনত পুটিনৰ বিৰুদ্ধে তিনিগৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল যদিও কোনোজনৰে প্ৰভাৱ নাছিল। পুটিনে নিৰ্বাচনত প্ৰায় ৮৮ শতাংশ ভোট লাভ কৰে। উল্লেখ্য যে, ১৯৯৯ চনত প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হৈছিল পুটিন। পৰৱৰ্তী সময়ত ৰাষ্ট্ৰখনত একনায়কত্ববাদৰ সূচনা কৰি একেৰাহে শাসন চলাই আহিছে পুটিনে। মন কৰিবলগীয়া যে, যোৱা মাহত ৰাছিয়াৰ আৰ্কটিক কাৰাগাৰত ৰহস্যজনকভাৱে মৃত্যু ঘটিছিল পুটিনৰ প্ৰধান বিৰোধী তথা ৰাজনৈতিক নেতা এলেক্সি নেভলীনৰ। বিৰোধী নেতাগৰাকীৰ মৃত্যুক পুটিনৰ হাত থকাৰ অভিযোগ উত্থাপন কৰিছিল কেইবাখনো ৰাষ্ট্ৰইও। কিন্তু পুটিনে এই অভিযোগ খণ্ডন কৰি কয় যে, ৰাছিয়াক হেয় কৰিবলৈ এয়া পশ্চিমীয়া দেশৰ অভিসন্ধি। ইফালে আজি নিৰ্বাচনত জয়লাভৰ পিছত পুটিনে স্বেচ্ছাসেৱকক সম্বোধন কৰি কয়, ''আমাৰ বহু কাম কৰিবলগীয়া আছে, কিন্তু মই সকলোকে স্পষ্টকৈ ক'ব বিচাৰো যে আমি একত্ৰিত হৈ থকাৰ সময়তে আমাক ভীতিগ্ৰস্ত কৰি, আমাৰ ইচ্ছা আৰু আমাৰ বিবেকক দমন কৰিবলৈ প্ৰয়াস কৰা হৈছে। কিন্তু তেওঁলোকৰ এই চেষ্টা কেতিয়াও সফল নহয়।" ইফালে, নিৰ্বাচনৰ সময়ত পুটিন আৰু ইউক্ৰেইনৰ যুদ্ধক ৰাজহুৱাভাৱে সমালোচনা কৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছিল। এই সময়ছোৱাত পুটিনৰ বিৰুদ্ধে কোনো ধৰণৰ বাতৰি প্ৰচাৰ নকৰিবলৈও সংবাদ মাধ্যমসমূহক কঠোৰ নিৰ্দেশনা দিয়া হৈছিল। প্ৰণিধানযোগ্য যে, ৰাছিয়াৰ সংবিধানত লিখা আছে যে কোনো ব্যক্তিয়ে একেৰাহে দুটাতকৈ অধিক কাৰ্যকাল ৰাষ্ট্ৰপতি হ'ব নোৱাৰে। ইয়াৰ কাৰণে ২০০৮ চনৰ ৮ মে'ত পুটিনে তেওঁৰ প্ৰধানমন্ত্ৰী দিমিত্ৰী মেডভেডেভক ৰাছিয়াৰ ৰাষ্ট্ৰপতি কৰি নিজেই প্ৰধানমন্ত্ৰী হিচাপে নিযুক্তি দিয়ে। ২০০৮ চনৰ নৱেম্বৰ মাহত দিমিত্ৰীয়ে সংবিধান সংশোধন কৰি ৰাষ্ট্ৰপতিৰ কাৰ্যকাল ৪ বছৰৰ পৰা ৬ বছৰলৈ বৃদ্ধি কৰে। ইয়াৰ পিছত ২০১২ চনত পুটিন পুনৰ ৰাছিয়াৰ ৰাষ্ট্ৰপতি হয়। ২০২০ চনৰ জানুৱাৰী মাহত পুটিনে সাংবিধানিক সংশোধনীৰ জৰিয়তে ৰাষ্ট্ৰপতিৰ কাৰ্যকাল পুনৰ ১২ বছৰলৈ বৃদ্ধি কৰে। যাৰ ফলস্বৰূপে এতিয়া ২০৩৬ চনলৈকে পুটিনৰ ৰাষ্ট্ৰপতি হৈ থকাৰ পথ মুকলি হৈ পৰিছে। আজি পুটিনৰ জয়লাভৰ পিছতে উত্তৰ কোৰিয়াৰ নেতা কিম জং উন আৰু হণ্ডুৰাছ, নিকাৰাগুৱা আৰু ভেনিজুৱেলাৰ ৰাষ্ট্ৰপতিয়ে পুটিনক বিজয়ৰ বাবে অভিনন্দন জনায়। একে সময়তে ছোভিয়েট ইউনিয়নৰ বিভাজনৰ পিছত অস্তিত্বলৈ অহা তাজিকিস্তান আৰু উজবেকিস্তানেও পুটিনক অভিনন্দন জনাইছে। পশ্চিমীয়া দেশসমূহে এই নিৰ্বাচনক প্ৰতাৰণা আখ্যা দিছে। জাৰ্মানীয়ে পুটিনৰ এই জয়ক একনায়কত্ববাদৰ জয় আখ্যা দিছে। একেই মন্তব্য কৰিছে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি জেলেনেস্কিয়ে। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে একনায়কত্ববাদী সম্ৰাটগৰাকীয়ে নিজেই নিৰ্বাচন পাতি নিজেই আকৌ এবাৰ জয়ী হৈছে। ৰাছিয়াত নাগৰিকসকলক বলপূৰ্বক পুটিনৰ সপক্ষে ভোটদান কৰোৱাৰো অভিযোগ উঠিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বৰাকৰ পৰা আৰম্ভ মুখ্যমন্ত্ৰীৰ

ব্যক্তিগত বিমানত কংগ্ৰেছৰ দুই বিধায়ক ছিদ্দিক আহমেদ, কমলাক্ষ দে' পুৰকায়স্থ আৰু বিজেপি দলৰ দুই বিধায়কক লৈ গুৱাহাটীৰ পৰা শিলচৰত উপস্থিত হয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা৷ বৰাক উপত্যকাৰ নিৰ্বাচনী সভাত অংশ লৈ কৰিমগঞ্জ সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী কৃপানাথ মাল্লা আৰু শিলচৰৰ প্ৰাৰ্থী পৰিমল শুক্লবৈদ্যৰ হৈ প্ৰচাৰ চলায়৷ আজি মুখ্যমন্ত্ৰীৰ সৈতে কংগ্ৰেছৰ দুই বিধায়কে ছাঁটোৰ দৰে লাগি থাকি নিৰ্বাচনী প্ৰচাৰত সহায় কৰে৷ শিলচৰ কুম্ভীৰগ্ৰাম বিমানবন্দৰত অৱতৰণ কৰাৰ পিছত কৰিমগঞ্জ আৰু শিলচৰ লোকসভা সমষ্টিত মুখ্যমন্ত্ৰীয়ে সভাত অংশ লয়৷ মুখ্যমন্ত্ৰীয়ে কৰিমগঞ্জ লোকসভা সমষ্টিত ডেৰ লাখ আৰু শিলচৰ লোকসভা সমষ্টিত ২.৫ লাখৰ ব্যৱধানত বিজেপিৰ প্ৰাৰ্থী জয়ী হোৱাৰ ভৱিষ্যবাণী কৰে৷ এদিনীয়া বৰাক ভ্ৰমণৰ সময়ত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কৰিমগঞ্জ লোকসভা সমষ্টিত নিৰ্বাচন প্ৰস্তুতিৰ বিশেষ সাংগঠনিক সভাত অংশগ্ৰহণ কৰে৷ বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছক ভোট দিলে কোনো লাভ নহয় বুলি কয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছ দলক আক্ৰমণ কৰি কয় যে কংগ্ৰেছৰ পৰা জয়লাভ কৰি বিজেপিত যোগদান কৰিব। কংগ্ৰেছৰ জয় বা পৰাজয় কোনো ডাঙৰ কথা নহয়। কংগ্ৰেছত থাকিব নে নাই সেয়াহে ডাঙৰ কথা। ভোটাৰসকলে প্ৰথমে কংগ্ৰেছৰ প্ৰাৰ্থীক সুধিব লাগে যে তেওঁ কংগ্ৰেছত থাকিব নে নাই। এজনৰ বাহিৰে বাকী সকলোকে বিজেপিলৈ লৈ আহিম। সেয়ে কংগ্ৰেছক ভোট দিলে কি লাভ হ'ব বুলি প্ৰশ্ন উত্থাপন কৰে মুখ্যমন্ত্ৰীয়ে৷ সংখ্যালঘু বা সংখ্যাগৰিষ্ঠৰ কথা নহয়, মোদীৰ সবকা সাথ সবকা বিশ্বাসৰ কথাহে। সংখ্যালঘু লোকে অৰুণোদয়ৰ পৰা আৰম্ভ কৰি চাকৰিলৈ কোনো ধৰণৰ সুবিধাৰ পৰা বঞ্চিত হোৱা নাই। উৎকোচ নিদিয়াকৈ সকলোৱে চাকৰি পাইছে। কংগ্ৰেছৰ সময়ত এনে হোৱা নাছিল৷ ৰাজ্য চৰকাৰে সংখ্যালঘুৰ বাবে অধিক কাম কৰা বুলি দাবী কৰি মুখ্যমন্ত্ৰীয়ে দৃঢ়তাৰে কয় যে সকলোৱে বিজেপিক ভোট দিব। বিজেপিয়ে ১৩খন আসন লাভ কৰিব বুলিও কয় মুখ্যমন্ত্ৰীয়ে। কংগ্ৰেছক ভোট দিলে কোনো লাভ নাই, জয়ী হোৱাৰ পিছত বিজেপিলৈ আহিব৷ সাংগঠনিক সভাত নিৰ্বাচনী প্ৰচাৰ প্ৰক্ৰিয়া আৰু অৰ্থনৈতিক জৰীপৰ বিষয়ে আলোচনা কৰা হয়। আজি পুৱাৰ ভাগত শিলচৰ কুম্ভীৰগ্ৰাম বিমানবন্দৰত অৱতৰণ কৰাৰ পাছতে পুৱা প্ৰায় ৯ বজাত কৰিমগঞ্জলৈ যায় মুখ্যমন্ত্ৰী। ছিদ্দিক আহমেদ, কমলাক্ষ দে পুৰকায়স্থ, বিজয় মালাকাৰকে ধৰি বহুকেইজন বিধায়কক মুখ্যমন্ত্ৰীৰ বিমানত দেখা যায়। এই ছবিখনক লৈ ছ'চিয়েল মিডিয়াত ব্যাপক চৰ্চা আৰম্ভ হৈছে৷

■ **প্ৰথম পৃষ্ঠাৰ পৰা...**

# দেওত সৰ্বা, সোমবাৰে

অসমৰ ৰাজনীতিকৰ আজি এটা কালি এটা। স্থিতি, আদৰ্শ, মূল্যবোধ এইবোৰ মাথো কোৱা কথাহে। এদিন পূৰ্বে বিজেপিৰ প্ৰাৰ্থীক প্ৰশংসা কৰি পিছদিনা কংগ্ৰেছৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰত নামিল কংগ্ৰেছ নেতা পৱন সিং ঘাটোৱাৰ। এদিন পূৰ্বে বিজেপিৰ প্ৰাৰ্থী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সৈতে এখন সভাত অংশ লৈ ভূয়সী প্ৰশংসা কৰিছিল সৰ্বানন্দ সোণোৱালক। সোণোৱালক আহিবলগীয়া নতুন চৰকাৰত নিশ্চিতভাৱে এতিয়াৰ দৰে গুৰুত্বপূৰ্ণ পদবীত থাকিব বুলি কৈছিল পৱন সিং ঘাটোৱাৰে। সেই সময়ছোৱাত চাহ উদ্যোগৰ বিকাশৰ বাবে কাম কৰিব বুলি আশা প্ৰকাশ কৰিছিল ঘাটোৱাৰে। ইমানে নহয় ডিব্ৰুগড়ত অনুষ্ঠিত ভাৰতীয় চাহ সংস্থাৰ অসম শাখাৰ বাৰ্ষিক সাধাৰণ সভাখনত ঘাটোৱাৰে সোণোৱালক আগন্তুক চৰকাৰত নিশ্চিতভাৱ এতিয়াৰ দৰে গুৰুত্বপূৰ্ণ পদবীত থাকিব বুলিও কৈছিল। সৰ্বানন্দ সোণোৱালক প্ৰশংসা কৰাৰ ৩০ ঘণ্টা পাৰ নৌহওঁতেই পৱন সিং ঘাটোৱাৰক দেখা গ'ল লুৰীণজ্যোতি গগৈৰ সৈতে। টিংখং সমষ্টিত অনুষ্ঠিত সভাত লুৰীণজ্যোতি গগৈক কাষত বহুৱাই ভোট ভিক্ষা কৰে ঘাটোৱাৰে। উল্লেখ্য যে, ডিব্ৰুগড় সমষ্টিত কংগ্ৰেছে প্ৰাৰ্থী দিয়া নাই। কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটৰ প্ৰাৰ্থী হৈছে অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ। এদিন পূৰ্বে বিৰোধী সৰ্বানন্দ সোণোৱালক প্ৰশংসা কৰি আজি কংগ্ৰেছৰ সমৰ্থিত প্ৰাৰ্থী লুৰীণজ্যোতি গগৈৰ প্ৰচাৰ সভাত অংশ লয় পৱন সিং ঘাটোৱাৰে। মুঠতে এই নিৰ্বাচনত নেতাৰ চৰিত্ৰ ধৰিবই নোৱাৰা হৈছে। আজি টিংখং সমষ্টিত লুৰীণজ্যোতি গগৈৰ প্ৰথমখন সভা অনুষ্ঠিত হয়। বিৰোধী ঐক্য মঞ্চৰ প্ৰাৰ্থী লুৰীণজ্যোতি গগৈৰ সভাত কংগ্ৰেছ নেতা তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী পৱন সিং ঘাটোৱাৰ, অসম জাতীয় পৰিষদৰ উপ-সভাপতি ড০ দিলীপ কুমাৰ ভূঞা, অনুপ ফুকন, কেন্দ্ৰীয় নেতা উদ্দীপজ্যোতি গগৈ, সঞ্জয় দেৱ, চাহ শক্তিৰ সম্পাদক অজিত মাঝি, জীৱন চাংমাই, ব্লক কংগ্ৰেছৰ সাধাৰণ সম্পাদক সন্তোষ গগৈ, নিৰৱ লিকচন, ব্লক কংগ্ৰেছৰ সম্পাদক ৰমেন্দ্ৰ উৰাং, ফণী গগৈ, কৃষক মুক্তিৰ নেতা অজিত বৰুৱা উপস্থিত থাকে। এই সভাখনত লুৰীণজ্যোতি গগৈক সমৰ্থন জনাই বিভিন্ন দল-সংগঠনৰ নেতা-কৰ্মীয়ে অসম জাতীয় পৰিষদত যোগদান কৰে। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ৰাজগড় অঞ্চলিকৰ সভাপতি পাপুল দিহিঙীয়া, লেঙেৰী আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক উচ্চকমল গগৈসহ অসম গণ পৰিষদ, আম আদমী পাৰ্টি, ভাৰতীয় জনতা পাৰ্টীৰ চাৰি শতাধিক লোকে অসম জাতীয় পৰিষদত যোগদান কৰে। এনেদৰে এতিয়া আকৰ্ষণীয় হৈ পৰিছে ৰাজ্যৰ ৰাজনীতি।

■ **প্ৰথম পৃষ্ঠাৰ পৰা...**

# দীপ গগৈৰ কাষলৈ

এইবাৰ বিজেপিৰ প্ৰাৰ্থীগৰাকীক তীব্ৰ প্ৰত্যাহ্বান জনাইছে কংগ্ৰেছৰ প্ৰাৰ্থী গৌৰৱ গগৈয়ে। তপন কুমাৰ গগৈৰ বাবে এইবাৰ যোৰহাট জয়ী হোৱাটো মুঠেও মসৃণ নহ'ব। সদনত এষাৰো মাত নিদিয়া তপন কুমাৰ গগৈয়ে দেশৰ চৰ্চিত, সদনত তৎপৰ গৌৰৱ গগৈৰ বিৰুদ্ধে যুঁজ দিবলগীয়া হৈছে। ২০১৪ চনত কংগ্ৰেছৰ বিজয়কৃষ্ণ সন্দিকৈয়ে ১ লাখ ২ হাজাৰ ৪২০টা ভোটত পৰাজিত হৈছিল। আনহাতে কংগ্ৰেছৰ প্ৰাৰ্থী সুশান্ত বৰগোহাঁয়ে ৮২ হাজাৰ ৯২৫টা ভোটত পৰাজিত হৈছিল। কিন্তু বিগত দুটা নিৰ্বাচনত ৰেকৰ্ড ভংগ কৰিবলৈ কংগ্ৰেছে জোৰদাৰ প্ৰচাৰ আৰম্ভ কৰিছে। বিগত তিনিটা দিনতে গৌৰৱ গগৈয়ে যোৰহাট সমষ্টি ঘোলা কৰি পেলাইছে। যাৰ ফলত বিজেপিৰ প্ৰাৰ্থী তপন কুমাৰ গগৈয়ে গৌৰৱ গগৈৰ খুৰাকৰ শৰণাপন্ন হ'বলৈ প্ৰয়াস কৰা বুলি অভিযোগ উত্থাপন হৈছে। গৌৰৱ গগৈয়ে তীব্ৰ প্ৰচাৰ আৰম্ভ কৰাৰ সময়তে আজি গৌৰৱ গগৈৰ খুৰাক দীপ গগৈক সাক্ষাৎ কৰে তপন কুমাৰ গগৈয়ে। এই কথা খোদ প্ৰকাশ কৰিছে যোৰহাটৰ সাংসদ তপন কুমাৰ গগৈয়ে। সাংসদ তপন কুমাৰ গগৈয়ে ফেচবুকত দিয়া দুটা পোষ্টত শ্বেয়াৰ কৰা ফটোত দীপ গগৈ আৰু তপন কুমাৰ গগৈক হাঁহি-ধেমালি কৰি থকা পৰিবেশত দেখা যায়। তপন কুমাৰ গগৈয়ে কয় "এই হাঁহিৰ সুবাস বিয়পি পৰক যোৰহাট লোকসভা সমষ্টিত। প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত তৰুণ গগৈৰ ডাঙৰীয়াৰ ভাতৃ তথা কলিয়াবৰ লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ দীপ গগৈ ডাঙৰীয়াক এক সৌজন্যমূলক সাক্ষাৎ কৰি তেখেতৰ সৈতে মত-বিনিময় কৰো।" এই ফটো প্ৰকাশৰ পাছতে ৰাজ্যৰ ৰাজনীতিত বিশেষ চৰ্চা হ'বলৈ ধৰিছে। তপন কুমাৰ গগৈয়ে দীপ গগৈক বিজেপিলৈ নিয়াৰ প্ৰয়াস কৰিছে নেকি বুলি চৰ্চা চলিছে। নিৰ্বাচনৰ প্ৰচাৰৰ প্ৰথমাৰস্থাতে গৌৰৱ গগৈৰ খুৰাকৰ শৰণাপন্ন হ'বলগীয়া হৈছে বুলি তপন কুমাৰ গগৈক একাংশ লোকে সমালোচনাও কৰা দেখা গৈছে। উল্লেখ্য যে, প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ পুত্ৰ গৌৰৱ গগৈক নগাঁও সমষ্টিত প্ৰাৰ্থী দিব বুলি চৰ্চা চলিছিল। কিন্তু সৰ্বভাৰতীয় কংগ্ৰেছে যোৰহাট সমষ্টিত প্ৰাৰ্থীত্ব প্ৰদান কৰে। কলিয়াবৰৰ সাংসদ গৌৰৱ গগৈক প্ৰাৰ্থীত্ব দিয়াৰ পাছতে বিজেপিয়ে প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। কংগ্ৰেছে প্ৰাক্তন আছু নেতা তথা বৰ্তমানৰ সাংসদ তপন কুমাৰ গগৈক প্ৰত্যাহ্বান জনাব পৰা নেতা থিয় কৰোৱাত সমষ্টিটোৰ পৰিবেশ সলনি হৈছে। গৌৰৱ গগৈয়ে পানী ঘোলা কৰিছে। কিয়নো কেৱল প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ পুত্ৰ হিচাপেই নহয়, ৰাষ্ট্ৰীয় পৰ্যায়ত এগৰাকী সুদক্ষ নেতা হিচাপে পৰিচিত হৈছে গৌৰৱ গগৈ। সদনত সাহসেৰে নিজ ৰাজ্যখনৰ কথা তুলি ধৰা, বাকপতুতাৰে শাসকীয় পক্ষক ধৰাশায়ী কৰা, প্ৰধানমন্ত্ৰী-গৃহমন্ত্ৰীক সমালোচনা কৰি নিজকে অসমৰ অন্যতম শক্তিশালী নেতা ৰূপে প্ৰতিষ্ঠা কৰিছে গৌৰৱ গগৈয়ে। এই কথা হয়তো অসমৰ লোকে মানি ল'ব। গৌৰৱ গগৈয়ে ৰাষ্ট্ৰীয় পৰ্যায়ত নিজকে এজন স্বীকৃত নেতা ৰূপে প্ৰতিষ্ঠা কৰাত সফল হৈছে। গৌৰৱ গগৈয়ে কলিয়াবৰ তথা কাজিৰঙা সমষ্টি এৰি যোৱাৰ পাছতে যোৰহাট হেভিৱেট সমষ্টিত পৰিণত হৈছে। শাসকীয় বিজেপি দলে যোৰহাট সমষ্টিক অত্যন্ত গুৰুত্বসহকাৰে ল'বলৈ বাধ্য হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উত্তপ্ত গুঃ বিশ্ববিদ্যালয়

উত্তপ্ত পৰিস্থিতিৰ। এই ঘটনাত বিশ্ববিদ্যালয়খনৰ কেবাগৰাকী ছাত্ৰ-ছাত্ৰী আহত হোৱাৰ লগতে স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক হিমনজিৎ ডেকা প্ৰহৃত হোৱা বুলিও জানিব পৰা গৈছে। প্ৰাপ্ত বাতৰি অনুযায়ী 'কা' বলৱৎ কৰাৰ পিছৰে পৰা বিশ্ববিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে অব্যাহত ৰখা ধাৰাবাহিক প্ৰতিবাদী কাৰ্যসূচীৰ অংশ হিচাপে আজি হাতত লৈছিল বিক্ষোভ আৰু ক'লা পতাকা উত্তোলন কাৰ্যসূচী। আনহাতে আজিয়েই বিশ্ববিদ্যালয় চৌহদত থকা বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰেক্ষাগৃহত আছিল অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ চমুকৈ এবিভিপিৰ ৰাজ্যিক ছাত্ৰ নেতাৰ সন্মিলন। এই সন্মিলনলৈ অহা এবিভিপিৰ একাংশ সদস্যই 'কা'ৰ বিৰুদ্ধে লগোৱা বেনাৰ-পোষ্টাৰসমূহ ফালি পেলোৱাক কেন্দ্ৰ কৰি ক্ষুব্ধ হৈ পৰে 'কা' বিৰোধী ছাত্ৰ সমাজ৷ বেনাৰ-পোষ্টাৰ ফলাত বাধা দিয়াত প্ৰতিবাদকাৰী ছাত্ৰ-ছাত্ৰীসকলক আন্দোলন কৰিবলৈ গুৱাহাটী বিশ্ববিদ্যালয় স্নাতকোত্তৰ ছাত্ৰ সন্থা কি হয় বুলি ওলোটাই প্ৰশ্ন কৰে৷ ছাত্ৰ সমাজে পুনৰ 'কা' বিৰোধী পোষ্টাৰসমূহ আঁৰি দিবলৈ যোৱাৰ সময়তে দুয়ো পক্ষৰ মাজত হতাহতি লাগে৷ একাংশ প্ৰতিবাদকাৰী ছাত্ৰ-ছাত্ৰীক এবিভিপিৰ সমৰ্থক, নেতাই শাৰীৰিকভাবে অপদস্থ কৰাৰো অভিযোগ উত্থাপন কৰিছে প্ৰতিবাদকাৰী ছাত্ৰ সমাজে৷ ইয়াৰ পিছতে প্ৰতিবাদকাৰী ছাত্ৰ-ছাত্ৰীসকলে এবিভিপিৰ সভা চলি থকা বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰেক্ষাগৃহ ঘেৰাও কৰে৷ প্ৰেক্ষাগৃহত বিজেপি দল আৰু এবিভিপি বিৰোধী শ্ল'গান দিবলৈ আৰম্ভ কৰি এবিভিপিৰ নেতৃত্বক ক্ষমা খুজিবলৈকো দাবী জনায় প্ৰতিবাদকাৰীসকলে৷ তেনে সময়তে এবিভিপিৰ নেতৃত্বই বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰেক্ষাগৃহত পিছফালেৰে পলায়ন কৰে বুলি দাবী কৰিছে গুৱাহাটী বিশ্ববিদ্যালয় স্নাতকোত্তৰ ছাত্ৰ সন্থাই৷ ঘটনাক গুৱাহাটী বিশ্ববিদ্যালয় স্নাতকোত্তৰ ছাত্ৰ সন্থাই নিন্দা কৰাৰ লগতে এবিভিপিক ক্ষমা খোজাৰ দাবী জনায়৷ লগতে গুৱাহাটী বিশ্ববিদ্যালয় স্নাতকোত্তৰ ছাত্ৰ সন্থা আৰু বিশ্ববিদ্যালয় আইন মহাবিদ্যালয় ছাত্ৰ সন্থাই অসমীয়া জাতি বিৰোধী 'কা'ৰ বিৰুদ্ধে অনাগত দিনতো আন্দোলন চলাই যাব বুলি স্পষ্ট কৰি দিয়ে। ইফালে, সভা চলি থকাৰ মাজতে প্ৰতিবাদাকাৰী একাংশ ছাত্ৰ-ছাত্ৰীয়ে বাধা দিয়াৰ লগতে অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি কৰা বুলি দাবী কৰিছে এবিভিপিয়ে। প্ৰতিবাদকাৰীসকলে সভাৰ বেনাৰ-পোষ্টাৰ নষ্ট কৰি সভা অনুষ্ঠিত কৰাত বাধা দিয়াৰ বাবেহে এনে ঘটনা সংঘটিত হোৱা বুলি মন্তব্য কৰা দেখা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মোদী-ৰাহুলৰ শক্তিক

হেৰুৱায়ো খোজ কাঢ়ি ভাৰত ভ্ৰমণ কৰা ৰাহুল গান্ধীৰ? 'শক্তি' শব্দটোক লৈয়ে এইবাৰ দুয়োগৰাকী নেতা লিপ্ত হ'ল সংঘাতত। দেওবাৰে ভাৰত জোড়ো ন্যায় যাত্ৰাৰ সামৰণি অনুষ্ঠানত ইণ্ডিয়া এলায়েন্সৰ বিশেষ ৰেলীত মোদীক অপশক্তিৰে তুলনা কৰি ভাষণ প্ৰদান কৰিছিল ৰাহুল গান্ধীয়ে। ইয়াৰ পিছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেলেংগানাৰ এখন জনসভাক সম্বোধন কৰি শক্তি শব্দটোক লৈ ৰাহুল গান্ধীক আক্ৰমণ কৰে। বিপক্ষই জনোৱা প্ৰত্যাহ্বান গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মোদীয়ে কয় যে তেওঁ শক্তিৰ প্ৰতি সদায় সমৰ্পিত। মোদীয়ে শক্তি শব্দটোৰ অৰ্থ বুজাবলৈ গৈ হিন্দু ধৰ্মশাস্ত্ৰত থকা আদ্যশক্তি আৰু নাৰীশক্তিৰ কথা উল্লেখ কৰে। তেওঁ কয়, 'মই ভাৰত মাতাক পূজা কৰো। নাৰী শক্তি মোৰ বাবে পূজ্য। এই শক্তিক মই অপমান কৰিব নোৱাৰো। এই দেশৰ নাৰী শক্তিক ৰক্ষাৰ বাবে মই মোৰ জীৱন দিবলৈকো সাজু আছো।' মোদীৰ এই মন্তব্যৰ পিছতে ছ'চিয়েল মিডিয়াযোগে পুনৰ আক্ৰমণাত্মক হৈ পৰে ৰাহুল গান্ধী। কংগ্ৰেছ নেতাগৰাকীয়ে কয়, 'মোৰ ভাষণ ইফাল-সিফাল কৰি দেশবাসীক বিপথে পৰিচালিত কৰিবলৈ মোদীয়ে সদায়েই সাজু হৈ থাকে। কালি ভাষণতো মই এই সম্ভাৱনাৰ কথা কৈছিলো। আজি মোৰ সেই অনুমান সত্য হ'ল। মই কৈছিলো আমি যাৰ বিৰুদ্ধে যুদ্ধ কৰি আছো সেই অপশক্তিৰ কথা। সেই অপশক্তি লুকাই আছে মোদীৰ আঁৰত। এয়া হৈছে সেই শক্তি যিয়ে দেশৰ প্ৰতিটো গণতান্ত্ৰিক সংস্থা চিবিআই, ইডি, নিৰ্বাচন আয়োগ সকলোকে গ্ৰাস কৰি পেলাইছে। এই শক্তিৰ কথাহে মই কৈছিলো।' এইদৰে এতিয়া নিৰ্বাচনী মহাৰণত শক্তিক লৈ যুদ্ধ কৰি নিজ নিজ শক্তিৰ প্ৰমাণ দিবলৈ উঠি-পৰি লাগিছে দেশৰ শাসক-বিৰোধী।

# 'কা'ৰ অধীনত অসমত আবেদন কৰিব ৩-৫ লাখ লোকে

**ই-সংবাদ, ১৮ মাৰ্চঃ** অসমত প্ৰায় ৩ৰ পৰা ৫ লাখ লোকে নাগৰিকত্ব সংশোধনী আইনৰ অধীনত ভাৰতীয় নাগৰিকত্বৰ বাবে আবেদন কৰিব৷ এই কথা স্পষ্ট কৰিছে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই৷ আবেদনকাৰীসকল সেইসকলহে হ'ব যিসকলে ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীত আবেদন কৰি বাদ পৰিছিল৷ হিমন্ত বিশ্ব শৰ্মাই কয় যে এনআৰচি উন্নীতকৰণত ৭ লাখ মুছলমান আৰু ৫ লাখ হিন্দু-বাঙালী বাদ পৰিছিল। বহু হিন্দু-বঙালী বিভিন্ন সময়ত আহি শৰণাৰ্থী শিবিৰত আছিল। তেওঁলোকে এনআৰচিত অন্তৰ্ভুক্তিৰ বাবে আবেদন কৰিছিল৷ এনআৰচিত নাম অন্তৰ্ভুক্তিৰ বাবে শিবিৰত থকাৰ প্ৰমাণ স্বৰূপে এখন মোহৰ লগোৱা তথ্য দাখিল কৰিছিল।এনআৰচিৰ প্ৰাক্তন ৰাজ্যিক সমন্বয়ক প্ৰতীক হাজেলাই সেই তথ্য গ্ৰহণ কৰা নাছিল। ফলস্বৰূপে এনআৰচিত বহু হিন্দু-বঙালীৰ নাম অন্তৰ্ভুক্ত হোৱা নাছিল৷ এটা ব্যক্তিগত খণ্ডৰ নিউজ চেনেলক দিয়া সাক্ষাৎকাৰত হিমন্ত বিশ্ব শৰ্মাই এই কথা উল্লেখ কৰে৷ এনআৰচিত অন্তৰ্ভুক্তিৰ বাবে আবেদন কৰা ৫ লাখ হিন্দু-বঙালীয়ে নাগৰিকত্ব সংশোধনী আইন ২০১৯ৰ অধীনত আবেদন দাখিল কৰিব, আন বহুতে আইনী সহায় ল'ব৷ প্ৰচাৰ হোৱাৰ দৰে ১৫ বা ১৮ বা ২০ লাখ বা ডেৰ কোটি আবেদনকাৰী নাথাকিব বুলি স্পষ্ট কৰে মুখ্যমন্ত্ৰীয়ে।



# সমাজকৰ্মী সুৰেন চন্দ্ৰ বড়োৰ দেহাৱসান

**ই-সংবাদ, গোৰেশ্বৰ, ১৮ মাৰ্চঃ** আজি পুৱতি নিশা বিশিষ্ট সমাজকৰ্মী তথা বিজেপিৰ জনজাতীয় কোষৰ ৰাজ্যিক সম্পাদক সুৰেন চন্দ্ৰ বড়োৰে আকস্মিক মৃত্যুক আকোৱালিত লোৱাত বিটিআৰৰ গোৰেশ্বৰৰ গভীৰ শোকৰ ছাঁ পৰে। ৫২ বছৰ বয়সত সুৰেণ চন্দ্ৰ বড়োৰে শেষ নিশ্বাস ত্যাগ কৰে। বড়োৰ মৃত্যুত গোৰেশ্বৰ এলেকা শোক সাগৰত ডুব যোৱা পৰিলক্ষিত হয়। জানিব পৰা মতে, নিশা শোৱাপাটিতে মৃত্যুক আকোৱালি লৈছিল বড়োৰে। পুৱাই এই খবৰ বনজুইৰ দৰে বিয়পি পৰাত লোকেলোকাৰণ্য হৈ গোৰেশ্বৰৰ বাথৌফুৰি এলেকা। বিজেপি দলৰ নেতা সুৰেণ চন্দ্ৰ বড়োৰে দেওবাৰে কেইবাগৰাকী দলীয় সতীৰ্থৰ সৈতে নিৰ্বাচনী প্ৰচাৰত ব্যস্ত হৈ আছিল। নিজ গাড়ীৰে বিভিন্ন ঠাইৰ সভা-সমিতিত অংশ লৈ নিশা বাথৌফুৰিৰ ঘৰলৈ আহে। নিশাৰ আহাৰ গ্ৰহণ কৰি পৰিয়ালৰ লোকৰ সৈতে কথা-বতৰা পাতি শোৱাপাটিত উঠে। মাজনিশা শোৱাপাটীতে হৃদৰোগত আক্ৰান্ত হয়। পৰিয়ালে ততাতৈয়াকৈ গুৱাহাটীৰ এখন ব্যক্তিগত খণ্ডৰ হাস্পতালত ভৰ্তি কৰে যদিও সুৰেণ চন্দ্ৰ বড়োক মৃত ঘোষণা কৰে চিকিৎসকে। সুৰেণ চন্দ্ৰ বড়োৰ মৃতদেহ ঘৰলৈ অনাৰ পাছতে বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, মণ্ডলদৈৰ সাংসদ দিলীপ শইকীয়া, বিটিআৰৰ কাৰ্যবাহী ৰনেন্দ্ৰ নাৰ্জাৰী, পাৰিষদ পবিত্ৰ কুমাৰ বড়ো, ভবেন বড়োৱে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বিভিন্ন দল-সংগঠন তথা বিজেপিৰ কেইবাগৰাকী নেতা-কৰ্মীয়ে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি শোক প্ৰকাশ কৰে। লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে। সুৰেণ চন্দ্ৰ বড়োৰ ঘৰ আছিল গোৰেশ্বৰ চহৰৰ পৰা প্ৰায় ৬ কিলোমিটাৰ নিলগৰ বাঘদোবাত। শিক্ষা সমাপ্ত কৰি শিক্ষকতা কৰিছিল যদিও শিক্ষকতাৰ চাকৰি এৰি ঠিকা কৰিবলৈ আৰম্ভ কৰিছিল। গড়কাপ্তানী, জলসিঞ্চনৰ বিভাগৰ ঠিকা কৰি সফল ঠিকাদাৰ ৰূপে পৰিগণিত হৈছিল। পাছত গোৰেশ্বৰত টাউনত ঘৰ-বাৰী কৰি থাকিবলৈ লয়। বিগত প্ৰায় দুটা দশকত সুৰেণ চন্দ্ৰ বড়োৰে গোৰেশ্বৰৰ প্ৰতিটো অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত হৈ পৰিছিল। বিপদত পৰা লোকক সহায় কৰি সমাজসেৱক হিচাপে পৰিচিত হৈছিল। জাতি, ধৰ্ম, বৰ্ণৰ লোকৰ প্ৰিয়ভাজন আছিল। ২০২০ চনত বিটিআৰ চুক্তিৰ পাছত অনুষ্ঠিত প্ৰথমটো নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিল। গোৰেশ্বৰ পৰিষদীয় সমষ্টিত নিৰ্বাচনত অৱতীৰ্ণ হৈছিল। নিৰ্বাচনৰ পাছতে বিজেপিত যোগদান কৰি ৰাজ্যিক বিজেপিৰ জনজাতীয় মৰ্চাৰ সম্পাদকৰ দায়িত্ব লাভ কৰিছিল। ৰাজনীতিৰ লগতে সামাজিক কাম-কাজত আগৰণুৱা আছিল সুৰেন চন্দ্ৰ বড়ো।

# মাজুলীত পৰ্যটন ক্ষেত্ৰত সংযোগ ঘটিব টুৰিষ্ট বাহন

## ড০ পীতাম্বৰ দেৱ গোস্বামীৰ সংকল্প

**ই-সংবাদ, মাজুলী, ১৮ মাৰ্চঃ** মাজুলীৰ আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড০ পীতাম্বৰ দেৱ গোস্বামীয়ে আজি এক নতুন সংকল্পৰ কথা ৰাজহুৱা কৰে। মাজুলী কানকুৰিকা উচ্চ বুনিয়াদী বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ শুভাৰম্ভ অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰি সত্ৰাধিকাৰগৰাকীয়ে মাজুলীলৈ অহা পৰ্যটনসকলৰ সুবিধা হোৱাকৈ মাজুলীত এখন টুৰিষ্ট গাড়ীৰ ব্যৱস্থা কৰাৰ কথা চিন্তা কৰা বুলি অৱগত কৰে। অলপতে লণ্ডন ভ্ৰমণ কৰি লণ্ডনত পৰিবেশ বৰ্ণনা কৰি তাত হোৱা অভিজ্ঞতা আৰু দুমহলীয়া বাছত উঠি লণ্ডনখন ভ্ৰমণ কৰাৰ অভিজ্ঞতা কথা বুকুত লৈ আহিছিলো বুলি কয়। মাজুলীত এনে দৰে যদি দুমহলীয়া বাছ এখন সৃষ্টি কৰিব পাৰো, তেনেহলে পৰ্যটকসকলে বহু সুবিধা পাব আৰু লগতে এঘণ্টাৰ ভিতৰত গোটেই মাজুলীখন চাব পাৰিব। লণ্ডনত ভ্ৰমণ কৰা গাড়ীখনত যেনেদৰে আসনৰ লগতে কমেণ্ট বক্সবোৰত কৈ থকাৰ দৰে মাজুলীটো বিভিন্ন স্থান বোৰৰ কথা কৈ থাকিলে পৰ্যটকসকলে মাজুলীৰ ছবিখন পাই যাব। মাজুলীৰ ঐতিহাসিক ঠাইবোৰৰ কথা গাইডৰ যোগেদি জনাতকৈ গাড়ীত লাগি থাকিলে বেছি সুবিধা হ'ব। সত্ৰাধিকাৰগৰাকীয়ে এই ক্ষেত্ৰত সকলোৰে সহযোগিতা বিচাৰে। এবছৰৰ ভিতৰত গাড়ীখন মাজুলী অনাৰ ব্যৱস্থা কৰা হ'ব বুলি অৱগত কৰে।



একেলগে যুঁজাৰ সংকল্পঃ মুম্বাইৰ ধাৰাৱিত দেওবাৰে নিশা 'ইণ্ডিয়া'ৰ শক্তি প্ৰদৰ্শন

# পৰকীয়া প্ৰেমৰ ভয়াৱহ পৰিণতি, তিতাবৰত আত্মহনন প্ৰেমিক-প্ৰেমিকাৰ

**ই-সংবাদ, ১৮ মাৰ্চঃ** যোৰহাট জিলাৰ তিতাবৰত ভয়ংকৰ কাণ্ড সংঘটিত হৈছে। এহাল প্ৰেমীক-প্ৰেমিকাই একে সময়তে আত্মহনন কৰাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। তিতাবৰৰ লেটেকুজান চাহ বাগিচাৰ দোকান লাইনত এই ঘটনা সংঘটিত হৈছে। দোকান লাইনৰ ২৫ বছৰীয়া বাবাটু গোৱালা আৰু ২৩ বছৰীয়া পড পাত্ৰৰ মৃতদেহ সুকীয়া সুকীয়া স্থানত উদ্ধাৰ হৈছে। সন্দেহ কৰা মতে, বাবাটু গোৱালা আৰু পড পাত্ৰ সম্পৰ্কত প্ৰেমিক-প্ৰেমিকা আছিল। দুয়োজনে হয়তো চিৰজীৱন একেলগে থকাৰ শপত খাইছিল। কিন্তু একেলগে থকাটো সম্ভৱ হৈ নুঠিব বুলি জানিয়েই দুয়োজনে কেতিয়াও উভতি নহা বাটেৰে গুছি গ'ল।

প্ৰাৰ্থীক টিকট প্ৰদান কৰিছে। গগৈয়ে নিৰ্দলীয় হিচাপে নিৰ্বাচন খেলিব লাগিব। দলীয় প্ৰতীক চিহ্ন নাই, ভুপেন বৰাই নিৰ্বাচনত কি হ'ব চিন্তা কৰক। আনহাতে, আপে দলটোৱে উন্নয়নক মুখ্য বিষয় হিচাপে লৈ ৰাইজৰ মাজলৈ যাব বুলি কয়। আপ ৰাইজৰ মাজলৈ যাবৰ বাবে সাজু হৈছে। অসমত শোণিতপুৰ আৰু ডিব্ৰুগড় সংসদীয় সমষ্টিত উন্নয়নৰ কথা কৈয়ে ভোট ভিক্ষা কৰিব বুলি কয়। সমগ্ৰ দেশত আপে ২২ খন আসনত প্ৰতিদ্বন্দ্বিতা কৰিব। ইয়াৰে ভিতৰত শোণিতপুৰ আৰু ডিব্ৰুগড় সমষ্টিও থকা বুলি কয়। আপৰ ৰাজ্যিক উপ-সভাপতি জিতুল ডেকাই বিজেপিত যোগদান কৰাত এজন দুজনে দল এৰি গ'লে একো ক্ষতি নহয় বুলি কয়।

## বিটিচিৰ দুই সমষ্টিত জয় নিশ্চিত বুলি দাবী হাগ্ৰামা মহিলাৰীৰ

# বিটিচিৰ বাহিৰত তিনি সমষ্টিত প্ৰাৰ্থী দিব বিপিএফে

**ই-সংবাদ, ওদালগুৰি ১৮ মাৰ্চঃ** "পুনৰ তিনিটা লোকসভা সমষ্টিৰ বাবে প্ৰাৰ্থী প্ৰক্ষেপ কৰিব বিপিএফে।"- এই ঘোষণা বিপিএফ দলৰ সভাপতি হাগ্ৰামা মহিলাৰীৰ। আজি মহিলাৰীয়ে ওদালগুৰিৰ এক দলীয় কাৰ্যসূচীত অংশগ্ৰহণ কৰি কয় যে "প্ৰতিটো দলে নিৰ্বাচনত জয়ী হোৱাৰ দাবী কৰিব। কিন্তু বিটিচিৰ দুটাকৈ সমষ্টি ক্ৰমে কোকৰাঝাৰ আৰু দৰং-ওদালগুৰি লোকসভা সমষ্টিত বিপিএফৰ প্ৰাৰ্থী জয়ী হব। কোকৰাঝাৰত তিনি লাখ ভোটৰ ব্যৱধানত বিপিএফ দলৰ প্ৰাৰ্থী খাম্ফা বৰগয়াৰী জয়ী হোৱাৰ বিপৰীতে সমৰ্থন কৰাৰ কথা অহা নাই।"দৰং-ওদালগুৰি লোকসভা সমষ্টিত দুৰ্গাদাস বড়োৱে দুই লাখ ভোটৰ ব্যৱধানত জয়ী হব। ইউপিপিএলৰ প্ৰতি ৰাইজ আশা ভঙ্গ হৈছে। গতিকে ৰাইজ এইবাৰ বিপিএফৰ প্ৰতি আকৰ্ষিত হৈছে। আগন্তুক লোকসভা নিৰ্বাচনত বিপিএফ দলে বিটিচিৰ দুটা লোকসভাৰ উপৰিও গুৱাহাটী, শোণিতপুৰ আৰু বৰপেটা লোকসভা সমষ্টিৰ বাবে প্ৰাৰ্থী প্ৰদান কৰিম। আগন্তুক দুই তিনি দিনৰ ভিতৰত আমি প্ৰাৰ্থীৰ নাম ঘোষণা কৰিম। দৰং-ওদালগুৰি লোকসভা সমষ্টিত আমাক এআইইউডিএফে সমৰ্থন কৰিম বুলি কৈছে যদিও সমগ্ৰ অসমত দলটোৱে আমাকইফালে দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ বিপিএফৰ প্ৰাৰ্থী দুৰ্গাদাস বড়োৱে সংবাদ মাধ্যমৰ আগত কয় যে "মই এসময়ত অগপত থকা হেতুকে বহু পুৰণি লগ বন্ধুৱে মোক ফোন কৰি কৈছে যে নেতৃত্বই সমৰ্থন জনোৱা বাবেহে সেইসকল কৰ্মীয়ে নেতৃত্বৰ কথামতে বিজেপিক ভোট দিছিল। কিন্তু তেওঁলোকেও এইবাৰ দৰং-ওদালগুৰি লোকসভা সমষ্টিটোত পৰিৱৰ্তনবিচাৰিছে।" মনকৰিবলগীয়া বিষয় এয়ে যে নিৰ্বাচন যিমানে চমু চাপি আহিছে সিমানে এটা ৰাজনৈতিক দলে কটাক্ষ আৰম্ভ কৰিছে।

## লোকসভা নিৰ্বাচনলৈ সাজু ওদালগুৰি জিলা প্ৰশাসন

**ই-সংবাদ, ওদালগুৰি, ১৮ মাৰ্চ:** লোকসভা নিৰ্বাচনলৈ মাজত এমাহ বাকী থকা সময়তে নিৰ্বাচনৰ বাবে সম্পূৰ্ণৰূপে সাজু হৈ পৰিছে ওদালগুৰি জিলা প্ৰশাসন। আজি ওদালগুৰি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত পৃথকে পৃথকে অনুস্থিত হয় বিভিন্ন ৰাজনৈতিক দল আৰু সাংবাদিকৰে সৈতে সভা। সাংবাদিকৰ সৈতে অনুষ্ঠিত সভাখনত উপস্থিত থাকি জিলা আয়ুক্ত ডাঃ ছাদনেক সিঙে আগন্তুক লোকসভা নিৰ্বাচনৰ বাবে ওদালগুৰি জিলা প্ৰশাসন সম্পূৰ্ণৰূপে সাজু হোৱা বুলি জানিবলৈ দিয়ে। এইবেলি দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ নিৰ্বাচনী কাম-কাজ পৰিচালনাৰ বাবে ওদালগুৰি জিলাখনক নডেল জিলা হিচাপে ধৰা হৈছে। যাৰ ফলত লোকসভা সমষ্টিৰ সমূহ কামকাজত লগতে ভোটগণনাৰ কাৰ্যক্ৰম ওদালগুৰি জিলাৰ পৰাই পৰিচালিত হব। লোকসভা সমষ্টিটোৰ বাবে ২৮ মাৰ্চত মনোনয়ন সংগ্ৰহ, ৪ এপ্ৰিল মনোনয়ন দাখিলৰ অন্তিম দিন, ৫ এপ্ৰিল মনোনয়ন পৰীক্ষা, ৮ এপ্ৰিল মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন, ২৬ এপ্ৰিলত ভোটগ্ৰহণ আৰু ৪ জুনত ভোটগণনা। ইফালে জিলা প্ৰশাসনে সাংবাদিকক যোগান ধৰা জিলাভিত্তিক তথ্য অনুসৰি ৪ নম্বৰ দৰং-মঙ্গলদৈ লোকসভা সমষ্টিৰ বাবে কামৰূপ, বাক্সা, ওদালগুৰি আৰু দৰং জিলাত আছে ১১ টাকৈ বিধানসভা সমষ্টি। উক্ত ১১ টাকৈ বিধানসভা সমষ্টিত ১০,৯৯,২৯৪ গৰাকী পুৰুষ আৰু ১০,৮৭,৮৪০ গৰাকী মহিলা আৰু ১৯ গৰাকী তৃতীয় লিংগৰ ভোটাৰসহ মুঠ ভোটাৰৰ সংখ্যা ২১,৮৭,১৬০ গৰাকী। ইয়াৰে ভিতৰত কামৰূপৰ ৩১ নং ৰঙিয়া আৰু ৩২ নম্বৰ কমলপুৰ বিধানসভা সমষ্টিত ১,৯৬,৯৫৬ গৰাকী পুৰুষ ভোটাৰ আৰু ১,৯১,৩৭৬ গৰাকী মহিলা ভোটাৰসহ মুঠ ভোটাৰৰ সংখ্যা ৩,৮৮,৩৩২ গৰাকী। বাক্সা জিলাৰ ৪৩ নম্বৰ তামুলপুৰ আৰু ৪৪ নম্বৰ গোৰেশ্বৰ বিধানসভা সমষ্টিত ২,০৭,২৬০ গৰাকী পুৰুষ ভোটাৰ আৰু ২,০৪,৪০৪ গৰাকী মহিলা ভোটাৰসহ মুঠ ভোটাৰৰ সংখ্যা ৪,১১,৬৬৪ গৰাকী। ওদালগুৰি জিলাৰ ৪৫ নম্বৰ ভেৰগাওঁ, ৪৬ নম্বৰ ওদালগুৰি, ৪৭ নম্বৰ মাজবাট আৰু ৪৮ নম্বৰ টংলা বিধানসভা সমষ্টিত ৩,৪১,৩৯৫ গৰাকী পুৰুষ, ৩,৪৭,৮০৭ গৰাকী মহিলা আৰু ৪ গৰাকী তৃতীয়য় লিংগৰ ভোটাৰসহ মুঠ ৬,৮৯,২০৬ গৰাকী ভোটাৰ। দৰং জিলাৰ ৪৯ নম্বৰ ছিপাঝাৰ, ৫০ নম্বৰ মঙ্গলদৈ আৰু ৫১ নম্বৰ দলগাওঁ বিধানসভা সমষ্টিত ৩,৫৩,৬৮৩ গৰাকী পুৰুষ, ৩,৪৪,২৬০ গৰাকী মহিলা আৰু ১৫ গৰাকী তৃতীয় লিংগৰ ভোটাৰসহ মুঠ ভোটাৰ ৬,৯৭,৯৫৮ গৰাকী। একেদৰে এইবাৰ দৰং-ওদালগুৰি লোকসভা সমষ্টিত মুঠ ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা হৈছে ২,৬২২ টা। ইয়াৰে ভিতৰত ওদালগুৰি জিলাত মুঠ স্পৰ্শকাতৰ ভোটকেন্দ্ৰৰ সংখ্যা হৈছে ৪৭ টা। দৰং-ওদালগুৰি লোকসভা সমষ্টিত ১৩,৯৫২ গৰাকী ৮৫ বছৰতকৈ ওপৰৰ ভোটাৰ, ৩৬৫ গৰাকী এশ বছৰ উৰ্দ্ধৰ ভোটাৰ আৰু ২৬,৬৬৩ গৰাকী ১৮-১৯ বছৰীয়া ভোটাৰ আছে। জিলাখনৰ নিৰ্বাচনৰ দ্বায়িত্বত থাকিব এজন ৰিটাৰ্ণিং বিষয়া, ১২ গৰাকী সহকাৰী ৰিটাৰ্ণিং বিষয়াৰ লগতে ৮ গৰাকী জোনেল বিষয়াৰ লগতে ১০৩ গৰাকী ছেক্টৰ বিষয়া।

## শিক্ষাবিদ দয়ানন্দ শ্বাহ, সাংবাদিক ড০ কোকিল বৰুৱাক ‘শ্ৰেষ্ঠ সেৱাশ্ৰী’ সন্মান

# মাহেকীয়া আলোচনী ‘অসমীয়া বৰ্ণিল’ৰ পঞ্চম বৰ্ষপূৰ্তি পালন

**ই-সংবাদ, ১৮মাৰ্চঃ** শিক্ষাবিদ দয়ানন্দ শ্বাহ আৰু সাংবাদিক ড০ কুকিল বৰুৱাক মাহেকীয়া আলোচনী ‘বৰ্ণিলে’ বিশেষভাবে সন্মান প্ৰদান কৰিছে৷ সাংবাদিক ড০ কুকিল বৰুৱা আৰু বিশিষ্ট সমাজকৰ্মী দয়ানন্দ শ্বাহক ‘শ্ৰেষ্ঠ সেৱাশ্ৰী’ সন্মান প্ৰদান কৰিছে মাহেকীয়া আলোচনী ‘অসমীয়া বৰ্ণিলে’৷ পাঠকৰ ব্যাপক সমাদৰ লাভ কৰা মাহেকীয়া আলোচনী ‘অসমীয়া বৰ্ণিলে’ ছয় বছৰত ভৰি দিলে৷ ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত অসমীয়া মাহেকীয়া আলোচনী বৰ্ণিলে গুৱাহাটীত আড়ম্বৰপূৰ্ণভাবে পঞ্চম বৰ্ষপূৰ্তি পালন কৰে৷ দেওবাৰে গুৱাহাটী প্ৰেছ ক্লাবত ৰাজ্য পালন কৰা পঞ্চম বৰ্ষপূৰ্তিত ৰাজ্যৰ কেইবাগৰাকী বিশিষ্ট লোকক বিশেষভাবে সম্বৰ্ধনা জ্ঞাপন কৰা হয়৷ গুৱাহাটী মহানগৰ কবি কাননৰ সভাপতি কমলজিৎ কলিতাই বন্তি প্ৰজ্বলন কৰি বৰ্ষপূৰ্তিৰ কাৰ্যসূচী শুভাৰম্ভ কৰে৷ বৰ্ণিলৰ উপদেষ্টা তথা কবি কেশৱ কুমাৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা আগবঢ়ায় বৰ্ণিলৰ সম্পাদক ডিম্পল গগৈয়ে। বিশিষ্ট অতিথি হিচাপে জ্যেষ্ঠ সাংবাদিক হাইদৰ হুছেইন, লেখক ড০ নন্দ সিং বৰকলা, কেৰিয়াৰ বিশেষজ্ঞ ড০ বুলজিৎ বুঢ়াগোহাঁই উপস্থিত থাকে। ডিব্ৰুগড় জিলাৰ লাহোৱাল সমষ্টিৰ ডিব্ৰুৱাল চাংমাই গাঁৱৰ সন্তান এছ.কে এছ ইংলিছ একাডেমিৰ মুখ্য পৰিচালন সঞ্চালক দয়ানন্দ শ্বাহ শিক্ষানুষ্ঠান স্থাপন কৰি সমাজত শিক্ষাৰ পোহৰ বিয়পোৱাত এই সন্মান প্ৰদান কৰা হয়৷ দয়ানন্দ শ্বাহ নতুন প্ৰজন্মক শিক্ষাৰ বাট দেখুৱাই সুনাগৰিক হোৱাৰ পণ ল’বলৈ সাহস দি আহিছে৷ চাহ জনগোষ্ঠীৰ লোকৰ জীৱনৰ কল্যাণৰ হকেও কাম কৰি আহিছে৷ অসম চাহ জনগোষ্ঠী জাতীয় মহাসভাৰ ডিব্ৰুগড়জিলা সমিতিৰ উপদেষ্টা হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে৷ ডিব্ৰুগড় জিলা খো-খো সন্থাৰ উপ-সভাপতিৰ দায়িত্ব পালন কৰিছে৷ ডিব্ৰুগড় নৱজাগৃতি যুৱক সংঘৰ উপদেষ্টা, লাহোৱালৰ বহুকেইটা ক্ৰীড়া, সাংস্কৃতিক অনুষ্ঠানৰ সৈতে জড়িত হৈ সমাজসেৱা কৰি গৈছে৷ ১৯৭২ চনৰ ৩ মাৰ্চত জন্মগ্ৰহণ কৰা দয়ানন্দ শ্বাহে ১৯৯৩ চনত ডিব্ৰুগড় পলিটেকনিকৰ পৰা অসামৰিক অভিযন্তাৰ ডিগ্ৰী গ্ৰহণ কৰিছিল৷ তেতিয়াৰ পৰাই সমাজৰ পিছপৰা, দৰিদ্ৰসকলৰ মংগল চিন্তা, ক্ৰীড়া, সংস্কৃতিৰ উত্তৰণৰ হকে কাম কৰি গৈছে৷ ড০ কুকিল বৰুৱাক সংবাদ সেৱা কৰাৰ বাবে এই সন্মান প্ৰদান কৰা হয়৷ গ্ৰাম্য এলেকাৰ সাংবাদিকতাৰ জগতখনত অৰিহণা যোগায় উৎকৃষ্ট নিৰ্শন দাঙি ধৰিছে কুকিল বৰুৱাই৷ গুৱাহাটীৰ পৰা প্ৰচাৰিত এন.বি নিউজ চেনেলক প্ৰতিনিধিত্ব কৰি সংবাদসমূহ যোগান ধৰি আহিছে৷ চাবুৱা এলেকাত জাগ্ৰত প্ৰহৰীৰ দৰে কাম কৰি নাগৰিকৰ প্ৰকৃত সমস্যাক তুলি ধৰিছে৷ সমাজৰ সমস্যাসমূহ ৰজাঘৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিছে৷ যাৰ দ্বাৰা সমাজৰ হিত সাধন হোৱা বুলি কয় বৰ্ণিল পৰিয়ালে৷ ড০ কুকিল বৰুৱা সন্দৰ্ভত বৰ্ণিল পৰিয়ালে আৰু কয় ‘‘আপুনি২০১২ চনৰ পৰা অল ইণ্ডিয়া জাৰ্নালিষ্ট ইউনিয়নৰ নেতৃত্ব বহন কৰি গৈছে৷ অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন যুৱক-যুৱতীক সংবাদসেৱাৰ সৈতেজড়িত কৰি ন্যায়ৰ বিৰুদ্ধে যুঁজিবলৈ প্ৰেৰণা দিছে৷ দৰিদ্ৰ ঘৰৰ মেধাৱী ছাত্ৰ-ছাত্ৰীক আৰ্থিক সহযোগিতা কৰিও আপুনি মনুষ্যত্বৰ উৎকৃষ্ট উদাহৰণ দাঙি ধৰিছে৷ দুখীয়া ৰোগীক স্বাস্থ্য সেৱা আগবঢ়ায়ো আপুনি সেৱা কৰিছে৷ আপোনাৰ কামৰ দ্বাৰা সমাজত এটা কথাই পৰিস্ফুট হৈছে যে সমাজত মানৱীয়তাৰ স্খলন ঘটা বুলি কোৱা কথাষাৰ মিছা বুলি প্ৰতিপন্ন হৈছে৷’ বৰ্ণিলৰ বৰ্ষপূৰ্তিৰ সৈতে সংগতি ৰাখি পঞ্চমবাৰৰ বাবে প্ৰদান কৰা হয় বৰ্ণিল সন্মান। বিশিষ্ট ঔপন্যাসিক জয়ন্ত মাধৱ বৰাক ‘বৰ্ণিল সাহিত্য প্ৰভা’ সন্মান, জ্যেষ্ঠ সাংবাদিক প্ৰণয় বৰদলৈক ‘সংবাদ প্ৰহৰী’ৰ সন্মান, সাংবাদিক অংকুৰ বৰঠাকুৰক ‘শ্ৰেষ্ঠ কৰ্মশ্ৰী’ সন্মান, প্ৰকৃতিপ্ৰেমী অনুপ পাটকাইক ‘শ্ৰেষ্ঠ কৰ্মশ্ৰী’ সন্মান, বিশিষ্ট সমাজকৰ্মী দয়ানন্দ শ্বাহক ‘শ্ৰেষ্ঠ সেৱাশ্ৰী’ সন্মান, সাংবাদিক ইভা মহন্তক ‘শ্ৰেষ্ঠ অনুষ্ঠান পৰিৱেশিকা’ সন্মান, সাংবাদিক ড০ কুকিল বৰুৱাক ‘শ্ৰেষ্ঠ সেৱাশ্ৰী’ সন্মান, সাংবাদিক গৌতম প্ৰতিম গগৈক ‘যুৱ সাংবাদিকতা’ সন্মান, কণ্ঠশিল্পী মাধৱ ৰঞ্জন আৰু মৈয়েত্ৰী পাটৰক শ্ৰেষ্ঠ কণ্ঠশিল্পী সন্মান, কবি নৱকান্ত বৰুৱাক ‘যুৱ কবি’ সন্মান, ৰুণ্টু শইকীয়াক যুৱ নেতাৰ সন্মান আগবঢ়োৱা হয়। অনুষ্ঠানত বিশিষ্ট কবি কৌস্তুভমনি শইকীয়া আৰু নীলিমা ঠাকুৰীয়া হকৰ সঞ্চালনাত অসমৰ বিভিন্ন প্ৰান্তৰ কবিসকলৰ উপস্থিতিত ‘বৰ্ণিল অনুভৱ’ নামেৰে এক ব্যতিক্ৰমী কবি সন্মিলন অনুষ্ঠিত হয়। এই অনুষ্ঠানত বৰ্ণিল কেলেণ্ডাৰ উন্মোচনৰ লগতে সদৌ অসম ভিত্তিত আয়োজিত কবিতা আৰু গল্প প্ৰতিযোগিতাৰ পুৰস্কাৰ প্ৰদান কৰা হয়। শলাগৰ শৰাই আগবঢ়ায় কাৰ্যবাহী সম্পাদক দৃষ্টিৰূপা বৰদলৈয়ে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# মৃদুস্মিতা গোস্বামীৰ উপন্যাস ‘জীয়া শিল’ উন্মোচন




**গুৱাহাটী, ১৮মাৰ্চঃ** “পাঠকৰ মন-মগজু জোকাৰি একাত্ম হ’ব পৰাজনেই প্ৰকৃত সাহিত্যিক। যি সাহিত্যত পাঠকে নিজৰে এখন ছবি দেখিবলৈ পাই সেই সাহিত্যই সাধাৰণতে স্থায়িত্ব লাভ কৰে।”গুৱাহাটী আৰ্টিষ্টছ গীল্ডত কালি এক গাম্ভীৰ্যপূৰ্ণ পৰিবেশত লেখিকা মৃদুস্মিতা গোস্বামীৰ উপন্যাস “জীয়া শিল” উন্মোচনী অনুষ্ঠানত মুখ্য উন্মোচক হিচাপে উপস্থিত থাকি আগবঢ়োৱা ভাষণত এই মন্তব্য কৰে প্ৰতিদিন টাইমৰ মুখ্য সম্পাদক নিতুমনি শইকীয়াই। উল্লেখ্য যে, প্ৰকাশন প্ৰতিষ্ঠান “ৰূপান্তৰ”,গুৱাহাটীৰ উদ্যোগত দেওবাৰে দিনৰ ভাগত সাংবাদিক গৰাকীৰ লগতে লেখক-সমালোচক,আছাম ডাউন টাউন ইউনিভাৰ্চিটিৰ “প্ৰফেচৰ অৱ প্ৰেক্টিচ” উৎপল দত্ত, ডি ৱাই ৩৬৫ৰ মুখ্য কাৰ্যবাহী সম্পাদক প্ৰাণজিৎ শইকীয়া, বিশিষ্ট শিল্পী দেৱেন দেৱান, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ সমাজতত্ব বিভাগৰ সঞ্চালক ড° জয়দীপ বৰুৱা আৰু চিত্ৰনাট্যকাৰ পল্লৱ পৰন বৰাৰ উপস্থিতিত অনুষ্ঠিত হয় এক গ্ৰন্থ উন্মোচনী অনুষ্ঠান। অনুষ্ঠানত আটাইকেইগৰাকী বিশিষ্ট ব্যক্তিৰ অংশগ্ৰহণত মুখ্য উন্মোচক হিচাপে গ্ৰন্থখন উন্মোচন কৰি দিয়া ভাষণত শইকীয়াই প্ৰথম মহিলা লেখিকাৰ উপন্যাসধৰ্মী কিতাপৰ পৰা আৰম্ভ কৰি বিভিন্ন ঘাট প্ৰতিঘাতেৰে আহি নতুন মাত্ৰা পোৱা উপন্যাসৰ বিভিন্ন ধাৰাৰ গতি-প্ৰকৃতিৰ এক সমীক্ষাত্মক সাৰগৰ্ভ বক্তব্য আগবঢ়ায় । অসমীয়া উপন্যাসক নতুন মাত্ৰা যোগোৱা মহিলা লেখিকাৰ ভিন্নধৰ্মী উপন্যাসৰ বৈশিষ্ট্য উল্লেখেৰে তেওঁ অসমীয়া উপন্যাসত লেখিকাৰ সমাজবাদ, মানৱতাবাদৰ উন্নত দৃষ্টিভঙ্গীৰ কথা উল্লেখ কৰে। সকলো লেখিকাৰে পৃথক বিষয়, লেখন শৈলীৰ ধাৰাৰ কথা উনুকিয়াই দি আজি উন্মোচিত লেখিকা মৃদুস্মিতা গোস্বামীৰ “জীয়া শিল” উপন্যাসত প্ৰতিফলিত বিভিন্ন উল্লেখযোগ্য দিশসমূহ তেওঁ দাঙি ধৰে । লেখিকা গোস্বামীৰ কথোপকথনৰ সহজ ভঙ্গিমা, শব্দ চয়ন আৰু ভাষাৰ মাধূৰ্য্যই সহজতে পাঠকৰ মনত ঠাই উলিয়াই ল’ব পাৰিব বুলি অভিনন্দনসূচক বক্তব্য আগবঢ়াই । ইফালে “জীয়া শিল” উপন্যাসখনৰ কেইবাটাও উল্লেখযোগ্য অংশ পাঠ কৰি তেওঁৰ মন চুই যোৱা দিশসমূহৰ অৱলোকন কৰে। গ্ৰন্থ উন্মোচনী অনুষ্ঠানটোৰ অন্যতম উন্মোচক উৎপল দত্তই সদ্য উন্মোচিত “জীয়া শিল” উপন্যাসত এক সাঙ্গীতিক মূৰ্চনা প্ৰতিফলিত হোৱা বুলি মন্তব্য কৰি উপন্যাসৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি গছৰ শিপাই মাটিৰ বহু গভীৰলৈকে শিপোৱাৰ দৰে এগৰাকী উপন্যাসিক হিচাপে সমাজৰ সকলোবোৰ দিশৰ গভীৰলৈকে পাৰ্যমানে মনোনিৱেশ কৰিব পাৰিলে অনাগত দিনত আৰু ভাল সাহিত্য ৰচনা কৰিব পাৰিব বুলি লেখিকাগৰাকীক উৎসাহিত কৰে । অনুষ্ঠানটোত উপস্থিত থাকি ডি ৱাই ৩৬৫ৰ মুখ্য কাৰ্যবাহী সম্পাদক প্ৰাণজিৎ শইকীয়াই উপন্যাস লেখকৰ কল্পনা বিলাস বুলি উল্লেখ কৰি নতুন প্ৰজন্মৰ লেখকক যিমান পাৰি কল্পনা ৰাজ্যত বিচৰণ কৰিবলৈ আহ্বান জনায় । কিন্তু সেই কল্পনা বিলাস বাস্তৱৰ ভিত্তিত হ’ব লাগিব বুলিও তেওঁ উল্লেখযোগ্য মন্তব্য কৰে। “ৰূপান্তৰ”,গুৱাহাটীৰ মুখ্য সচিব, প্ৰকাশক ৰক্তাভ জ্যোতি বৰাই আঁত ধৰা আৰু “ৰূপান্তৰ”ৰ সঞ্চালক ড° জয়দীপ বৰুৱাৰ ভাষণ-সভাপতিত্বত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী অনুষ্ঠানটোত উপস্থিত থাকি শিল্পী দেৱেন দেৱান আৰু চিত্ৰনাট্যকাৰ পল্লৱ পৰন বৰায়ো বক্তব্য আগবঢ়ায়। ইফালে কাৰ্যসূচী অনুসৰি গ্ৰন্থখন উন্মোচনৰ পূৰ্বে লেখিকা মৃদুস্মিতা গোস্বামীয়ে তেওঁৰ উপন্যাস সৃষ্টিৰ আঁৰৰ কথা উল্লেখ কৰি চমু বক্তব্য আগবঢ়ায়। সভাপতিৰ ভাষণেৰে সভাৰ অন্ত পৰে।

# কোকৰাঝাৰত এনডিএৰ নিৰ্বাচনী পৰিচালনা সমিতিৰ কাৰ্যালয় মুকলি

## জয়ন্ত বসুমতাৰী বিপুল ভোটত জিকিবঃ প্ৰমোদ

**ই-সংবাদ, কোকৰাঝাৰ, ১৮ মাৰ্চঃ** কোকৰাঝাৰৰ বড়োফা নগৰত আজি আনুষ্ঠানিকভাৱে ১নং কোকৰাঝাৰ লোকসভা সমষ্টিৰ বাবে এনডিএৰ নিৰ্বাচনী পৰিচালনা সমিতিৰ কাৰ্যালয় মুকলি কৰা হয়। কোকৰাঝাৰ লোকসভা সমষ্টিৰ কেন্দ্ৰীয় নিৰ্বাচনী পৰিচালনা সমিতিৰ কাৰ্যালয় আনুষ্ঠানিকভাৱে মুকলি অনুষ্ঠানত বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো, অসম চৰকাৰৰ মন্ত্ৰী ক্ৰমে ৰঞ্জিত দাস, উৰ্খাও গৌৰা ব্ৰহ্ম, ৰাজ্যসভাৰ সাংসদ ৰৌণগৌৰা নাৰ্জাৰী, কোকৰাঝাৰ লোকসভাৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰী, অগপৰ একাংশ নেৰ্তবৰ্গ উপস্থিতি থাকে। অতি হৰ্ষোল্লাস পৰিৱেশত ৰঙাফিটা কাটি আনুষ্ঠানিকভাৱে মুকলি কৰা হয় কোকৰাঝাৰ লোকসভা সমষ্টিৰ এনডিএৰ কেন্দ্ৰীয় নিৰ্বাচনী পৰিচালনা সমিতিৰ কাৰ্যালয়। ইপিনে নিৰ্বাচনী কাৰ্যালয় মুকলি কৰি প্ৰমোদ বড়োৰ কয় যে নৰেন্দ্ৰ মোডীক তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰীৰ আসনত বহুয়াবলৈ ৰাইজ অঙ্গীকাৰবদ্ধ হৈছে। বিটিআৰৰ জনতাই শান্তি সম্প্ৰীতি উন্নয়নৰ বাবেই ভোট দিব। সেইসূত্ৰে কোকৰাঝাৰ লোকসভাৰ এনডিএৰ মনোনিত প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ সৈতে কাৰো প্ৰতিদ্বন্দিতাই নহব আৰু বিপুল ভোটত জিকিব। সাংবাদিকৰ এক প্ৰশ্নোত্তোৰত প্ৰমোদ বড়োৱে কয়- বিপিএফ শক্তিশালী থকাৰ সময়তে বিপিএফৰ শক্তিশালী প্ৰাৰ্থী লোকসভা নিৰ্বাচনত হাৰিছে। বিপিএফে এতিয়া যি গৰাকী প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে তেওঁ বিটিচিৰ পৰিষদীয় নিৰ্বাচনতে হাৰিছে। গতিকে স্পষ্টভাৱে ক'ব পাৰি যে জয়ন্ত বসুমতাৰী জয়ী হৈ সংসদত বলিষ্ঠ ভুমিকা ল'ব। আনহাতে নিৰ্বাচনী কাৰ্যালয়মুকলি কৰি মন্ত্ৰী ৰঞ্জিত দাসে কয় যে কোকৰাঝাৰ লোকসভাত তৃতীয় পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হব যদিও আজি কোকৰাঝাৰত ইউপিপিএল অগপ বিজেপিয়ে উমৈহতীয়াভাৱে নিৰ্বাচনী কাৰ্যালয় আগতিয়াকৈ মুকলি কৰিছে। ৰাইজে ত্ৰিপল ইঞ্জিনৰ চৰকাৰকে ভোট দিব আৰু তৃতীয়বাৰৰ বাবে নৰেন্দ্ৰ মোডী প্ৰধানমন্ত্ৰীৰ আসনত অধিষ্ঠিত হ'ব বুলি মন্তব্য কৰিছে। এইবেলি আমাৰ কাৰ্যকৰ্তাই প্ৰতি ঘৰে ঘৰে গৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ হৈ নমস্কাৰ দিব আৰু চৰকাৰী আঁচনিৰ বিষয়ে বুজ ল'ব। যদিহে কিবা আঁচনি পোৱা নাই সেয়া লিপিবদ্ধ কৰা হ'ব। আমি সেৱাৰ বাবে ক্ষমতালৈ আহিছো, শাসনৰ বাবে ক্ষমতাত অহা নাই বুলি মন্তব্য কৰি এনডিএৰ বিজয় সুনিশ্চিত বুলি দাবী কৰিছে মন্ত্ৰী ৰঞ্জিত দাসে। উল্লেখ্য যে কোকৰাঝাৰ লোকসভা সমষ্টিৰ এনডিএৰ কেন্দ্ৰীয় নিৰ্বাচনী পৰিচালনা সমিতিৰ কাৰ্যালয় মুকলি অনুষ্ঠানত বিধায়ক ক্ৰমে লৰেঞ্চ ইছলাৰী, জিৰণ বসুমতাৰী, বিটিচিৰ কেবাগৰাকী কাৰ্যবাহী সদস্য, বিজেপি-অগপ-ইউপিপিএলৰ নেতা-কৰ্মী সমৰ্থকসকল উপস্থিত আছিল।




**সৰ্বানন্দ সোণোৱালক প্ৰশংসা কৰাৰ এদিনৰ পাছতে লুৰীণৰ হৈ ভোট ভিক্ষা ঘাটোৱাৰৰ**

# নিৰ্বাচন আয়োগলৈ ভূপেন বৰাৰ পত্ৰ

**ই-সংবাদ, ১৮ মাৰ্চঃ** লোসকভা নিৰ্বাচনৰ তাৰিখ ঘোষণাৰ পাছতে দেশত বলৱৎ হৈছে নিৰ্বাচনী অধিসূচনা৷ অধিসূচনা অনুসৰি ৰাজহুৱা স্থানত থাকিব নোৱাৰিব চৰকাৰী বিজ্ঞাপন৷ চৰকাৰৰ মুৰব্বী, দলৰ মুৰব্বীৰ ফটো সংলগ্ন বেনাৰ-পোষ্টাৰ থাকিলেও আতৰ কৰে নিৰ্বাচনী আয়োগে৷ কিন্তু অসমত তেনে পদক্ষেপ গ্ৰহণ কৰা নাই ৰাজ্যিক নিৰ্বাচন বিভাগে৷ আজিও ৰাজ্যৰ ৰাজধানী গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন জিলাৰ সদৰ, মহকুমা সদৰত দেখা গৈছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ফটো সংলগ্ন বেনাৰ-পোষ্টাৰ৷ ৰাজহুৱা স্থানত লগাই থোৱা বেনাৰ-পোষ্টাৰসমূহে নিৰ্বাচনী অধিসূচনাক ভয়াবহবাবে অমান্য কৰাৰ অভিযোগ উত্থাপন কৰিছে ৰাজ্যৰ মুখ্য বিৰোধী দল কংগ্ৰেছে৷ প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই আজি নিৰ্বাচন আয়োগক এখন পত্ৰ প্ৰেৰণ কৰি বৰ্তমানেও ৰাজহুৱা স্থানত লাগি থকা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰীৰ ফটোযুক্ত বেনাৰ-পোষ্টাৰসমূহ আতৰাবলৈ দাবী জনায়৷ নিৰ্বাচনী অধিসূচনা জাৰি কৰাৰ পিছতো অসমত প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰীৰ ফটো সম্বলিত আঁচনিৰ বেনাৰ, ছাইনবোৰ্ড আতৰ নকৰাত ক্ষোভ ব্যক্ত কৰে ভূপেন বৰাই৷ বিষয়টো মুখ্য নিৰ্বাচনী আয়ুক্তৰ দৃষ্টি আকৰ্ষণ কৰি অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই পত্ৰ প্ৰদান কৰে৷ অৱশ্যে এই পত্ৰক নিৰ্বাচনী আয়োগে কিমান গুৰুত্ব দিয়ে সেয়া অনাগত দিনত লক্ষণীয় হ'ব৷

# মৰিগাঁৱত বিশেষভাৱে সক্ষম লোকে পৰিচালনা কৰিব এটা ভোটকেন্দ্ৰ

**ই-সংবাদ, লাহৰীঘাট, ১৮ মাৰ্চঃ** লোকসভা নিৰ্বাচনৰ দিন ঘোষণাৰ পাছতে অসমৰ জিলা প্ৰশাসনসমূহ ভোটগ্ৰহণ আৰু ভোটগণনাৰ প্ৰস্তুতিক লৈ তৎপৰ হৈ পৰিছে৷ আন জিলাৰ লগতে মৰিগাঁও জিলা আয়ুক্তৰ কাৰ্যালয় সাজু হৈছে৷ জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই সংবাদমেল অনুষ্ঠিত কৰি নগাঁও লোকসভা সমষ্টিৰ দ্বিতীয় পৰ্যায়ত ২৬ এপ্ৰিলত ভোটগ্ৰহণ হ'ব। ভোটগ্ৰহণৰ বাবে ২৮ মাৰ্চত অধিসূচনা জাৰি কৰা হ'ব। ৪ এপ্ৰিল মনোনয়ন দাখিলৰ অন্তিম দিন আৰু ৫ এপ্ৰিলত মনোনয়ন পত্ৰ পৰীক্ষা কৰা হ'ব। ৮ এপ্ৰিল মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। ৪ জুনত ভোটগণনা কৰা হ'ব আৰু ৬ জুনৰ ভিতৰত সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়াটো সম্পন্ন হ'ব। দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণত নগাঁও সমষ্টিৰ অন্তৰ্গত মৰিগাঁও নিৰ্বাচন জিলাৰ তিনিটা বিধানসভা সমষ্টি ক্ৰমে ৫২ নং জাগীৰোড (অনুসূচিত জাতি), ৫৩ নং লাহৰিঘাট আৰু ৫৪ নং মৰিগাঁও বিধানসভা সমষ্টিত ভোটগ্ৰহণ সম্পন্ন হ'ব। মৰিগাঁও নিৰ্বাচন জিলাত এইবাৰ মুঠ ভোটদাতাৰ সংখ্যা ৭,১৯,৯২৭ গৰাকী। ইয়াৰে ৩,৬৪,০৪০ জন পুৰুষ ভোটাৰ, ৩,৫৫,৮৭৬ গৰাকী মহিলা ভোটাৰ আৰু ১২ জন তৃতীয় লিংগৰ ভোটাৰ৷ এইবাৰ মুঠ চাকৰিয়াল ভোটাৰৰ সংখ্যা ১৬৯৪ গৰাকী।

মৰিগাঁও নিৰ্বাচন জিলাত মুঠ ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা ৯১১টা। ২৯টা ভোটগ্ৰহণ কেন্দ্ৰ কেৱল মহিলাৰ দ্বাৰা পৰিচালিত হ'ব আৰু ছটা ভোটগ্ৰহণ কেন্দ্ৰ আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ হিচাপে স্থাপন কৰা হ'ব। আদৰ্শ কেন্দ্ৰকেইটা হ'ল জাগীৰোড বিধানসভা সমষ্টিৰ ১৪৬ জাগী এম ভি স্কুল (পূব) আৰু ১৪৭ জাগী এম ভি স্কুল (পশ্চিম), লাহৰিঘাট সমষ্টিৰ ৬২ ভূৰাগাঁও মহাবিদ্যালয় (পূব) আৰু ৬৩ ভূৰাগাঁও মহাবিদ্যালয় (উত্তৰ) আৰু মৰিগাঁও সমষ্টিৰ ১২৩ চৰাইবাহী উচ্চতৰ মাধ্যমিক বিদ্যালয় (সোঁফাল) আৰু ১২৪ চৰাইবাহী উচ্চতৰ মাধ্যমিক বিদ্যালয় (বাওঁফাল)। কেৱল যুৱক-যুৱতীৰ দ্বাৰা পৰিচালিত ভোটকেন্দ্ৰৰ সংখ্যা তিনিটা। সেইকেইটা হ'ল জাগীৰোড সমষ্টিৰ ৩০২ ঔজাৰি প্ৰাথমিক বিদ্যালয় (দক্ষিণ), লাহৰিঘাট সমষ্টিৰ ৮৪ ভূৰাগাঁও হস্পিটেল ৰোড প্ৰাথমিক বিদ্যালয় (পশ্চিম) আৰু মৰিগাঁও সমষ্টিৰ ১৩৩ জালুগুটি উচ্চতৰ মাধ্যমিক বিদ্যালয় (মধ্য)। আনহাতে বিশেষভাৱে সক্ষম লোকৰ দ্বাৰা পৰিচালিত হ'বলগীয়া ভোটগ্ৰহণ কেন্দ্ৰটো হ'ল মৰিগাঁও সমষ্টিৰ ৪৭ মৰিগাঁও উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয় (পশ্চিম)। জিলাখনত ৩৫টা ভোটগ্ৰহণ কেন্দ্ৰ স্পৰ্শকাতৰ আৰু২৯ টা কেন্দ্ৰ জটিল হিচাপে বিবেচিত হৈছে। নিৰ্বাচন জিলাখনত লিংগ অনুপাত ৯৮০। এইবাৰ মৰিগাঁও নিৰ্বাচন জিলাত ১৮ বছৰৰ পৰা ১৯ বছৰ বয়সৰ ভোটদাতাৰ সংখ্যা ১০,৫৪৯ জন আৰু জ্যেষ্ঠ নাগৰিক ভোটদাতাৰ সংখ্যা ৮২,৪১১ গৰাকী। আনহাতে জিলাখনত শতায়ু গৰকা ২১৫ গৰাকী ভোটদাতা আৰু ৮৫ বছৰ বয়সৰ উৰ্দ্ধৰ ৩৭২৭ গৰাকী ভোটদাতাই ভোটাধিকাৰ সাব্যস্ত কৰিব পাৰিব। ৰোগাক্ৰান্ত, বিশেষভাৱে সক্ষম আৰু অশীতিপৰ ভোটদাতাসকলৰ বাবে প্ৰয়োজন অনুসৰি হুইল শ্বেয়াৰ, ডাক বেলট আদিৰ ব্যৱস্থা কৰা হ'ব বুলিও জিলা আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে। অত্যাৱশ্যকীয় সেৱাৰ সৈতে জড়িত ভোটদাতাসকলৰ বাবেও প্ৰয়োজন অনুসৰি ডাক বেলটৰ ব্যৱস্থা কৰা হ'ব। মৰিগাঁও জিলাতো আৰ্হি আচৰণ বিধি বলৱৎ হৈছে। প্ৰকৃততে মানুহৰ বিবেকেই আৰ্হি আচৰণ বিধি মানি চলাটো সুনিশ্চিত কৰিব পাৰে বুলি উল্লেখ কৰি শান্তিপূৰ্ণ, সুস্থ আৰু নিকা নিৰ্বাচন সম্পূৰ্ণ কৰিব পৰাকৈ তেওঁ সকলোৰে সহায়-সহযোগিতা কামনা কৰে। যদি নিৰ্বাচনী আৰ্হি আচৰণবিধি উলঙ্ঘনৰ কোনো বিষয় দৃষ্টিগোচৰ হয় তেনেহ'লে এই সংক্ৰান্তীয় ওজৰ-আপত্তি c-Vigil এপত দাখিল কৰিব পাৰিব অথবা নিয়ন্ত্ৰণ কক্ষৰ ১৯৫০ টোল ফ্ৰী নম্বৰত ফোন কৰিও অভিযোগ দাখিল কৰিব পাৰিব।

# শেষ পৃষ্ঠা

## ভাৰতীয় মল্লযুদ্ধ ফেডাৰেচনক পুনৰ দায়িত্ব অৰ্পণ

**নতুন দিল্লী, ১৮ মাৰ্চঃ** ভাৰতীয় মল্লযুদ্ধ ফেডাৰেচনকে পুনৰ দায়িত্ব অৰ্পণ কৰা হৈছে। আজি ভাৰতীয় অলিম্পিক সংস্থাই গঠন কৰি দিয়া তদাৰক কমিটিখন ভংগ কৰে। ইয়াৰ লগে লগে পূৰ্বতে বৰ্খাস্ত কৰা ফেডাৰেচনক আকৌ দায়িত্ব প্ৰদান কৰে। ভাৰতীয় মল্লযুদ্ধ ফেডেৰেচনৰ বিতৰ্কিত সভাপতি ব্ৰীজভুষণ সিং চাৰনৰ অপসৰণৰ পিছত তেওঁৰ অনুগামী সঞ্জয় সিং সভাপতি নিৰ্বাচিত হোৱাত খেলুৱৈ সকলৰ মাজত বিদ্ৰোহ হোৱাত ভাৰতীয় অলিম্পিক সংস্থাই ফেডাৰেচনক বৰ্খাস্ত কৰিছিল। সেই মৰ্মে যোৱা ডিচেম্বৰ মাহত তদাৰক কমিটিখন গঠন কৰা হৈছিল। আজি এই কমিটিখন ভংগ কৰাত পুনৰ সঞ্জয় সিঙে সভাপতিৰ কাৰ্যভাৰ লাভ কৰে।

## গুৱাহাটীত ফিফা বিশ্বকাপৰ বিশেষ খেল

**ই-সংবাদ, ১৮মাৰ্চঃ** ভাৰত আৰু আফগানিস্তানৰ মাজত অহা ২৬ মাৰ্চত গুৱাহাটীত অনুষ্ঠিত হ'ব লগা ফিফা বিশ্বকাপৰ যোগ্যতা নিৰ্ণায়ক খেলখনৰ বাবে অসম ফুটবল সন্থা সম্পূৰ্ণ সাজু হৈছে। দেওবাৰে সৰুসজাই এথলেটিকচ ষ্টেডিয়ামৰ সভা কক্ষত খেলখনৰ প্ৰস্তুতি সম্পৰ্কত সবিশেষ জনাই আয়োজকসকলে। অসম ফুটবল সন্থাৰ বাবে অতিকৈ সন্মানীয় এই খেলখনৰ প্ৰস্তুতি সম্পৰ্কত সংবাদমেল যোগে সবিশেষ জনাই অসম ফুটবল সন্থাৰ সম্পাদক ড° চাংৰাং ব্ৰহ্ম ই। ২০২৬ ৰ বিশ্বকাপ আৰু ২০২৭ ৰ এচিয়া কাপ খেলিবলৈ যোগ্যতা নিৰ্ণায়ক খেলখন অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত অসমৰ মুখ্যমন্ত্ৰী ড°হিমন্ত বিশ্ব শৰ্মাৰ অনুমোদন আৰু সহযোগিতাৰ বাবে মুখ্যমন্ত্ৰীলৈ কৃতজ্ঞতা প্ৰকাশ কৰে চাংৰাং ব্ৰহ্মই।












newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮ | বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান